দিপ্লুৰঞ্জনৰ মনোনয়ন দাখিল

ই-সংবাদ, পুৰণিগুদাম, ২৫ অক্টোবৰঃ শাসক আৰু বিৰোধীৰ ৰথী-মহাৰথীৰ উপস্থিতিৰে ৩ পৃষ্ঠাত চাওক

www.newsnextone.com

e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, OCTOBER 26, 2024 ■ শনিবাৰ, ৯ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯২ Guwahati, Assam ।। মূল্যঃ এটকা

# নলবাৰীত ভগ্ন বাঁহৰ দলঙৰ পৰা পৰি বিজেপি নেতাৰ মৃত্যু

**ই-সংবাদ, বৰমা, ২৫ অক্টোবৰঃ** বৰ্তমানৰ চৰকাৰে ৰাজ্যখনৰ সকলো দিশতে উন্নয়ন হোৱা বুলি ঢাক ঢোল বজাই থকাৰ সময়তে নলবাৰী জিলাৰ সুৱাদীত এখন বাঁহৰ দলঙৰ পৰা পৰি নলবাৰী জিলা বিজেপিৰ প্ৰাক্তন সম্পাদক ভগৱান দাস(৫৫)ৰ শোকাৱহ মৃত্যু হোৱাত




ভগ্ন দলংখন, কাষৰ ছবিত দুৰ্ভগীয়া ভগৱান দাস

ৰাজ্যখনৰ পথ উন্নয়নৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। স্বাভাৱিকতে এই ঘটনাত ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। মৃত্যুৰ সময়ত ভগৱান দাসে পত্নী, দুই কন্যাৰ লগতে অনেক গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। এই ঘটনাই শোকস্তব্ধ কৰি তুলিছে অঞ্চলবাসীক। শেষাংশ ২ পৃষ্ঠাত

## বিহালীৰ বেমেজালিৰ অন্তত দুই নেতাৰ সলনি হ'ল সুৰ

# হিমন্ত বিশ্বক লৈ ভূপেন-গৌৰৱৰ সংঘাত



ই-সংবাদ, ২৫ অক্টোবৰঃ **বিৰোধী ঐক্য মঞ্চত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাঙোন অনা বুলি ইতিমধ্যে নিশ্চিত হৈছে বুলিব পাৰি। হিমন্ত বিশ্ব শৰ্মাই বিহালী সমষ্টিত নিজৰ এজন প্ৰাৰ্থী থিয় কৰাই বিৰোধী ঐক্য মঞ্চক** ২ পৃষ্ঠাত চাওক



# শেষত আকৌ ঘূৰি ঘূৰি গুৱাহাটী পালে চুমিয়ে

**ই-সংবাদ, ২৫ অক্টোবৰঃ** ঘূৰি ঘূৰি আকৌ গুৱাহাটী পালে চুমিয়ে। এইবাৰ গুৱাহাটী লখৰাস্থিত কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হ'ব বহু বিতৰ্কিত প্ৰৱঞ্চনাৰ শেষাংশ ৩ পৃষ্ঠাত

## কাহিনীৰ নপৰিব অন্ত! বিজেপিৰ দিগন্তৰ পিছত মনোনয়ন দাখিল জয়ন্ত, অনন্তৰ

**ই-সংবাদ, বিশ্বনাথ, ২৫ অক্টোবৰঃ** বিগত এটা সপ্তাহে বিৰোধীৰ আসনখনৰ প্ৰাৰ্থীক লৈ বিৰোধী ঐক্যমঞ্চত অভিযোগ-প্ৰত্যাভিযোগ, আক্ৰমণ-প্ৰত্যাক্ৰমণৰ মাজতে অসম সন্মিলিত মৰ্চা চমুকৈ অসমৰ দুই প্ৰাৰ্থীয়ে শেষাংশ ৬ পৃষ্ঠাত

# বিস্ময়ক ৫৬ বছৰে জীয়াই ৰাখি ৭৮ বছৰত গ'লগৈ শশী ফুকন

## ৰাজ্যজুৰি ভিন্নজনৰ শোক প্ৰকাশ

**ই-সংবাদ, ২৫ অক্টোবৰঃ** ৰাজ্যৰ বিশিষ্ট সাহিত্যিক তথা 'বিস্ময়'ৰ প্ৰতিষ্ঠাপক সম্পাদক শশী ফুকন আৰু নাই। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত শুকুৰবাৰে নিশাৰ ভাগত ফুকনে মৃত্যুক শেষাংশ ৩ পৃষ্ঠাত



## চামগুৰিৰ উপ-নিৰ্বাচন

# নিৰ্বাচনী হিংসাত বিজেপি কৰ্মীৰ মৃত্যু

**ই-সংবাদ, পুৰণিগুদাম, ২৫ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰিত বিজেপি আৰু কংগ্ৰেছৰ নিৰ্বাচনকেন্দ্ৰিক সংঘৰ্ষৰ ফলশ্ৰুতিত এজন বিজেপি কাৰ্যকৰ্তাৰ মৃত্যু হোৱাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বিজেপি শেষাংশ ২ পৃষ্ঠাত

# ওলট-পালট বিটিআৰৰ ৰাজনীতি! পুনৰ হাগ্ৰামাৰ কাষ চাপিব পাৰে চন্দনে

**ই-সংবাদ, চিৰাং, ২৫ অক্টোবৰঃ** ছিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম দিনত পুনৰ প্ৰাক্তন




মন্ত্ৰী চন্দন ব্ৰহ্মৰ নাম সাঙুৰি এক বিশেষ বাতৰিয়ে চৰ্চা লাভ কৰা দেখা গৈছে। আজি মনোনয়ন শেষাংশ ৫ পৃষ্ঠাত

# ২০ শতাংশ টিকট কংগ্ৰেছে বিক্ৰী কৰে!

**ই-সংবাদ, ২৫ অক্টোবৰঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ব্যস্ত আছে ঝাৰখণ্ডত। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত ব্যস্ত থকা থকা হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ বিৰুদ্ধে টিকট বিক্ৰী কৰাৰ শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নলবাৰীত ভগ্ন বাঁহৰ দলঙৰ

জানিব পৰা মতে, নিশা ঘৰলৈ আহি থকা অৱস্থাত ভগ্ন বাঁহৰ দলংখনৰ পৰা পৰি যায় ভগৱান দাস, তাৰ পিছতেই ততাতৈয়াকৈ তেওঁক চিকিৎসালয়লৈ নিয়া হয় যদিও তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। যি সময়ত ভাৰতীয় জনতা পাৰ্টীৰ সাংগঠনিক ভেটি দুৰ্বল আছিল সেই সময়ৰ পৰাই নিষ্ঠা সহকাৰে দলৰ ভেটি সুদৃঢ় কৰিবলৈ দীৰ্ঘ সময়ৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ সৈতে তেওঁ জড়িত হৈ আছিল। তেওঁৰ মৃত্যুৱে পৰিয়াল আত্মীয়স্বজনক মৰ্মাহত কৰি তুলিছে। পূৰ্বৰ বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত সম্প্ৰতি নৱগঠিত টিহু বিধানসভা সমষ্টিৰ পূব নাম্বৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত বৃহত্তৰ সুবাদী অঞ্চলৰ যাতায়াত ব্যৱস্থা সুচল নোহোৱা বাবে এইদৰে ভগ্ন বাঁহৰ দলংখনেৰে যাতায়াত কৰিব লগীয়া হয় সুৱাদীবাসী ৰাইজে। বাৰম্বাৰ এইক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষৰ লগতে বৰমা সমষ্টিৰ স্থানীয় বিধায়কগৰাকীক পথটো নিৰ্মাণৰ লগতে বাঁহৰ দলঙৰ ঠাইত এখন পকী দলং নিৰ্মাণৰ বাবে আবেদন জনাই আহিছিল যদিও আজিলৈ যাতায়তা সুচল হৈ নুঠিল। ৰাজ্যখনৰ প্ৰভাৱশালী মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়েও সুৱাদীবাসী ৰাইজৰ অভাৱ-অভিযোগ দূৰীকৰণৰ লগতে এখন পকী দলং নিৰ্মাণৰ আশ্বাস দিছিল যদিও আজিকোপতি দলং নিৰ্মাণ নোহোৱাৰ বাবেই এই শোকাৱহ ঘটনা সংঘটিত হয়। ঘটনাটোক লৈ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্বক লৈ ভূপেন

থানবান কৰাৰ এক ষড়যন্ত্ৰ ৰচিছিল আৰু ক'ব নোৱাৰাকৈয়ে সেই ষড়যন্ত্ৰৰ অংশীদাৰ হৈ পৰিছিল গৌৰৱ গগৈ। কিন্তু লক্ষণীয় কথা হ'ল শেহতীয়াভাৱে সেই কথা বুজি পাইছে গৌৰৱ গগৈয়েও। যাৰবাবে এতিয়া গৌৰৱ গগৈ আৰু ভূপেন বৰাৰ সুৰ একেটাই হৈ পৰিছে যে বিৰোধী ঐক্য মঞ্চত ভাঙোন আহিব নালাগে, ২০২৬-ত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ বিজেপি চৰকাৰক প্ৰতিহত কৰাৰ বাবে বিৰোধী ঐক্যৰ প্ৰয়োজন আছে। কিন্তু নিৰ্বাচনৰ ফলাফলেহে সমগ্ৰ বিষয়টো নিৰ্ণয় কৰিব যে বিৰোধী ঐক্য মঞ্চ পুনৰ কংগ্ৰেছৰ লগত থাকিব নে নাথাকে। বিহালীত আজি অসম সন্মিলিত মঞ্চৰ প্ৰাৰ্থীৰ হৈ বিৰোধী নেতাসকলে যি তৎপৰতা দেখুৱালে আৰু ৰাইজৰ যি উৎসাহ-উদ্দীপনা দেখা গ'ল তাতেই শংকিত হৈ পৰিছে নেকি কংগ্ৰেছৰ নেতৃত্ব? সেইবাবেই সুৰ সলনি কৰিছে নেকি কংগ্ৰেছৰ নেতৃত্বই? প্ৰকৃততে ২০২৬ৰ নিৰ্বাচনত কংগ্ৰেছক বাদ দি যি ১৭টা বিৰোধী ৰাজনৈতিক দল আছে সেই দলকেইটাই নিজৰ স্থিতি অধিক শক্তিশালী কৰি কংগ্ৰেছক বিপদত পেলাব নেকি অথবা চৰকাৰ গঠনৰ ক্ষেত্ৰত কংগ্ৰেছক শিক্ষা দিব নেকি সেই লৈয়ো এতিয়া কংগ্ৰেছ নেতৃত্ব চিন্তিত হৈ পৰিছে। ফলস্বৰূপে এতিয়া সুৰ সলনি কৰিবলৈ বাধ্য হৈ পৰিছে গৌৰৱ গগৈ আৰু ভূপেন বৰাই। উল্লেখ্য যে মিত্ৰতাৰ ধৰ্ম নামানি কংগ্ৰেছে নিজ খেয়ালখুচি মতে বিহালী সমষ্টিত প্ৰাৰ্থিত্ব ঘোষণা কৰাত বিৰোধী দলসমূহৰ সমালোচনাৰ সন্মুখীন হোৱাত অন্তৰ্দ্বন্দত ভুগিছে। লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৫ বিধায়ক সাংসদ নিৰ্বাচিত হোৱাত খালী হোৱা ছিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই সমষ্টিত বিৰোধী ঐক্য মঞ্চ অসম সন্মিলিত মৰ্চা চমুকৈ 'অসমে' একেলগে যুঁজাৰ কথা আছিল। ইয়াক লৈ গুৱাহাটীৰ হোটেল লিলিত বৈঠকো অনুষ্ঠিত হৈছিল। বৈঠকত কংগ্ৰেছে চাৰিটা আৰু চিপিআইএমএল দলে এটা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছিল। তাৰ বাবে এটা ৫ জনীয়া সমিতি গঠন কৰি দিছিল অসম জোঁটৰ নেতৃত্বই। ৫ জনীয়া সমিতিয়ে বিহালী সমষ্টি চিপিআইএমএলক এৰি দিয়াৰ সিদ্ধান্ত লৈছিল। কিন্তু কংগ্ৰেছে চিপিআইএমএলৰ প্ৰাৰ্থী বিবেক দাসে বাৰে বাৰে নিৰ্বাচনত পৰাজিত হৈ অহাত অন্য প্ৰাৰ্থী দিবলৈ আহ্বান জনাইছিল। ৫ জনীয়া সমিতিয়ে পুনৰ একেটা সিদ্ধান্ত লৈ বিহালী সমষ্টি চিপিআইএমএলক এৰি দিবলৈ কৈছিল। কিন্তু কংগ্ৰেছে মিত্ৰজোঁটৰ সিদ্ধান্তৰ বিপৰীতে বিজেপি এৰি অহা জয়ন্ত বৰাক টিকট দিয়াত নাৰাজ হয় অসম সন্মিলিত মৰ্চাৰ দলসমূহ। কংগ্ৰেছ প্ৰাৰ্থী ঘোষণাৰ পিছদিনা গুৱাহাটীত জৰুৰী সভা অনুষ্ঠিত কৰি অসম জোঁটৰ পৰা কংগ্ৰেছক আতৰাই বিহালীত প্ৰাৰ্থী থিয় কৰোৱাৰ সিদ্ধান্ত লয়। সেই মৰ্মে আজি অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীয়ে লুৰীণজ্যোতি গগৈ, অজিত কুমাৰ ভূঞা আৰু চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ আৰু ৰাইজৰ দলৰ কেইবাজনো নেতাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। আজি মনোনয়ন দাখিলৰ সময়তে কংগ্ৰেছ দুইগৰাকী নেতা ভূপেন বৰা আৰু গৌৰৱ গগৈয়ে অসম সন্মিলিত মৰ্চা চমুকৈ অসমক পুনৰ জীয়াই তোলাৰ ঘোষণা কৰিছে। দুগৰাকী কংগ্ৰেছ নেতাৰ মুখত বাৰে বাৰে শুনা গৈছে অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ৰ কথা। বিৰোধী দলৰ নেতাই কংগ্ৰেছক আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে অসম প্ৰদেশ কংগ্ৰেছৰ দুই শীৰ্ষ নেতাই পুনৰ অসম সন্মিলিত মৰ্চাক জীয়াই ৰখাৰ ঘোষণা কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে আজি মন্তব্য প্ৰকাশ কৰি এই কথা কয়। গৌৰৱ গগৈয়ে আজি বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ মনোনয়ন দাখিল কাৰ্যসূচীত অনুষ্ঠিত থাকি কয় যে আমি অসম সন্মিলিত মৰ্চাক সন্মান আৰু শ্ৰদ্ধা কৰো। সকলোৰে সৈতে আমাৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক। আমি সেই সম্পৰ্ক এৰিবলৈ নিবিচাৰো। আমাৰ সন্মুখত এটাই উদ্দেশ্যে যে আমি বিজেপি দলটোক পৰাজিত কৰিব লাগে। আনহাতে, ভূপেন কুমাৰ বৰাই অসম সন্মিলিত মৰ্চা চমুকৈ 'অসম'ক জীয়াই ৰাখিম বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। আজি বঙাইগাঁৱৰ কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেন সিংহৰ মনোনয়ন দাখিল কাৰ্যসূচীত অংশ গ্ৰহণ কৰি ভূপেন কুমাৰ বৰাই কয় যে ২৭ তাৰিখে মই বিহালীলৈ যাম আৰু চিপিআইএমএল দলৰ প্ৰাৰ্থীগৰাকীক অনুৰোধ কৰিম বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আৰু ৰাইজৰ চেতনাৰ প্ৰতি সন্মাই জনাই তেখেতে যদি প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰে তেন্তে আমি ২০২৬ চনত চিপিআইএমএলক বিহালী এৰি দিম। অসম সন্মিলিত মৰ্চা পুনৰ গঠন কৰাৰ লগতে জীয়াই ৰখাৰো ঘোষণা কৰে ভূপেন বৰাই। দুই নেতাৰ এনে মন্তব্যক বাকীসকলে কেনেকৈ লয় সেয়া হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনী হিংসাত বিজেপি

দলৰ কাৰ্যকৰ্তা জন হৈছে চামগুৰিৰ বাজিয়াগাঁৱৰ বিপুল শইকীয়া (৪৫)। উল্লেখ্য যে, যোৱা কালি চামগুৰি বিধানসভা সমষ্টিৰ ভগামুৰত বিজেপি আৰু কংগ্ৰেছ দলৰ কৰ্মীৰ মাজত সংঘটিত হোৱা হিংসাত্মক ঘটনাত বাজিয়াগাঁৱৰ বিপুল শইকীয়া নামৰ লোকজন আঘাতপ্ৰাপ্ত হৈছিল। কংগ্ৰেছৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনে মনোনয়ন পত্ৰ দিবলৈ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়লৈ বিশাল ৰেলী কৰি কাৰৈমাৰীৰ পৰা চামগুৰি হৈ নগাঁৱলৈ আহি থকা পথৰ কাষতে ভগামুৰত বিজেপি দলে এখন নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰিছিল। কংগ্ৰেছৰ ৰেলীটো ভগামুৰৰ বিজেপিৰ সভাস্থলী পোৱাৰ সময়তে দুয়োটা দলৰ সমৰ্থকৰ মাজত কথাৰ কটাকটি হয় বুলি অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত একাংশ উদণ্ড সমৰ্থকৰ মাজত হতাহতি হয়। উদণ্ড সমৰ্থকৰ সংঘৰ্ষৰ মাজতে চামগুৰিৰ বাজিয়াগাঁৱৰ বিপুল শইকীয়া নামৰ লোকজনো আহত হয় বুলি অভিযোগ উঠিছে। তদুপৰি একাংশ উদণ্ড সমৰ্থকৰ আক্ৰমণত বৈদ্যুতিন মাধ্যমৰ কে'বাজনো সাংবাদিক আহত হৈছিল। ৰাজনৈতিক দলৰ সমৰ্থকৰ মাজত হোৱা সংঘৰ্ষত আহত হোৱা বিজেপিৰ কাৰ্যকৰ্তা বিপুল শইকীয়া আহত অৱস্থাৰে বাজিয়াগাঁৱৰ নিজৰ ঘৰলৈ আহে। আজি পুৱা বহু সময়লৈকে শোৱাৰ পৰা নুঠাত সন্দেহবশতঃ পৰিয়ালৰ লোকে চোৱাত তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া, চামগুৰি আৰক্ষী,চামগুৰিৰ ৰাজহ চক্ৰ বিষয়াকে ধৰি প্ৰশাসনিক বিষয়া বিপুলৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱৰ শ্বহীদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।ইফালে, আজি সন্ধ্যা বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা আৰু সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মৃত বিজেপিৰ কৰ্মকৰ্তা বিপুল শইকীয়াৰ গৃহত উপস্থিত হৈ পৰিয়ালটিক সমবেদনা জনোৱাৰ লগতে তদন্ত কৰি দোষীক শাস্তি প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শেষত আকৌ ঘূৰি ঘূৰি গুৱাহাটী

অভিযুক্ত চুমি বৰা, তেওঁৰ স্বামী তাৰ্কিক বৰা আৰু পাতি লোৱা ভাতৃ বিশাল ফুকন। ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ স্থানান্তৰ কৰা হৈছে চুমি বৰা, তেওঁৰ স্বামী তাৰ্কিক বৰা আৰু পাতি লোৱা ভাতৃ বিশাল ফুকনসহ মুঠ ৮ কয়দীক। কিয়নো গুৱাহাটীৰ চিবিআইৰ বিশেষ আদালতত তেওঁলোকক হাজিৰ কৰোৱা হ'ব। চিবিআইয়ে অনলাইন ট্ৰেডিং কেলেংকাৰীৰ গোচৰৰ তদন্তৰ খাতিৰত মুঠ ৮ কয়দীক জিম্মাত বিচাৰিব। ডিব্ৰুগড় আৰক্ষীয়ে এখন বিশেষ বাহন যোগে গুৱাহাটীলৈ আনি থকা বুলি জানিব পৰা গৈছে। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকনসহ ৮গৰাকী অভিযুক্তক এখন ট্ৰেভেলাৰ বাহন যোগে গুৱাহাটীলৈ কঢ়িয়াই অনা হয়। পুৱা ৮ বাজি প্ৰায় ৩০ মিনিটত ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা উলিয়াই মুঠ ৮ কয়দীক। এখন ট্ৰেভেলাত ৮জন কয়দীক গুৱাহাটীলৈ আনি কেন্দ্ৰীয় কাৰাগাৰত চমজাই দিয়া বুলি খবৰ প্ৰকাশ পাইছে। অহা ৩০ অক্টোবৰত গুৱাহাটীৰ চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱা হ'ব। ৮ কয়দীৰ ভিতৰত বিশাল ফুকন, চুমি বৰা, তাৰ্কিক বৰা, অভিজিৎ ছন্দ, শোভন জ্যোতি কুৰ্মী আৰু চন্দন নাথ, অম্লান বৰা, ৰণজিৎ কাকতি আছে। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত বিশাল ফুকন আৰু ৰণজিত কাকতিৰ বিৰুদ্ধে ৩৫২/২৪ নম্বৰ আৰু ৩৫৪/২৪ নম্বৰত গোচৰ ৰুজু হৈছিল। বৰবৰুৱা আৰক্ষী থানাত বিশাল ফুকনৰ বিৰুদ্ধে ৮৫/২৪ নম্বৰত আন এটা গোচৰ ৰুজু হৈছিল। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ দায়িত্ব ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চিবিআইক অৰ্পণ কৰিছিল। যাৰ বাবে গুৱাহাটীলৈ চুমি বৰাসহ ৮ কয়দীক অনাৰ জল্পনা-কল্পনা আৰম্ভ হৈছিল। তাৰ পাছতে আজি ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বন্দী ৮ কয়দীক এখন ট্ৰেভেলাত গুৱাহাটীলৈ আনি থকা বুলি জানিব পৰা গৈছে। ট্ৰেডিং কেলেংকাৰিৰ জড়িত মুখ্য অভিযুক্ত আছিল বিশাল ফুকন। বিশাল ফুকনৰ সহযোগী বুলি চৰ্চিত চুমি বৰা আৰু তাৰ্কিক বৰা। ট্ৰেডিঙৰ নামত লুণ্ঠনক লৈ বহু তথ্য পোহৰলৈ আহিছিল বিশাল ফুকন নামৰ প্ৰৱঞ্চকজনক গ্ৰেপ্তাৰৰ পাছতে চুমি বৰা আৰু তাৰ্কিকৰ কথা পোহৰলৈ আহে। বিশালৰ টকাৰে চুমি বৰাই কেইবা কোটি টকা খৰছ কৰি ৰাজস্থানৰ উদয়পুৰত বিয়া পতাৰ লগতে কাপোৰ, গাড়ী, বিদেশ ভ্ৰমণ আদি কৰাৰ নামত কোটি কোটি টকা খৰছ কৰাৰ অভিযোগ উত্থাপন হৈছিল। মিডিয়াত খবৰটোৱে খুব চৰ্চা লাভ কৰাত গুৱাহাটী আৰক্ষীয়ে চুমি আৰু তাৰ্কিকক বিচাৰিবলৈ আৰম্ভ কৰে। গুৱাহাটীৰ ফ্লেটত অভিযান চলোৱাৰ পূৰ্বেই দুয়োজনে পলায়ন কৰিছিল। তাৰ এটা সপ্তাহৰ অন্তত চুমি আৰু তাৰ্কিকে ডিব্ৰুগড়ত অতি ৰহস্যজনকভাৱে আৰক্ষীৰ হাতত ধৰা দিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিস্ময়ক ৫৬ বছৰে জীয়াই ৰাখি

আকোৱালি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। কিছুদিন ধৰি তেখেত অসুস্থ হৈ পৰাত পৰিয়ালে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাইছিল। ফুকনৰ মৃত্যু এক বৰ্ণিল যুগৰ অৱসান। বিস্ময় দৰে আলোচনী প্ৰকাশ কৰি আলোড়নৰ সৃষ্টি কৰিছিল। সাহিত্য, সংস্কৃতি, বিজ্ঞান আদি সকলো দিশ সামৰি বিস্ময় আছিল অসমীয়া মানুহৰ প্ৰিয় আলোচনী। যোৱা ৭ ছেপ্টেম্বৰৰ ঘৰত পিছলি পৰি চিকিৎসাধীন হৈ আছিল শশী ফুকন। ডেৰমাহ ধৰি চিকিৎসাধীন হৈ আছিল শশী ফুকন। প্ৰথমে তেওঁক হায়াত হাস্পতালত ভৰ্তি কৰা হৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ সদ্গতি কামনা কৰিছো। অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰী শৰ্মাই। মুখ্যমন্ত্ৰীয়ে এটা ফেচবুক পোষ্টত কয় "অসমৰ এগৰাকী বৰেণ্য ব্যক্তিত্ব, সাহিত্যিক শশী ফুকনদেৱৰ প্ৰয়াণৰ বাতৰিত অতি মৰ্মাহত হ'লোঁ। কেইবা দশকজুৰি অসমৰ সাহিত্যৰ ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়াই অহা মোৰ অতি শ্ৰদ্ধাৰ ফুকনদেৱৰ আটাইতকৈ শ্ৰেষ্ঠ অৱদান আছিল 'বিস্ময়' আলোচনী। এই আলোচনীখন আমাৰ দৰে হাজাৰ হাজাৰ পঢ়ুৱৈৰ আছিল অতি প্ৰিয়। তেখেতৰ প্ৰয়াণ অসমৰ সাহিত্য-সংস্কৃতি তথা সমাজ জীৱনৰ বাবে বৃহৎ ক্ষতি। ফুকনদেৱৰ অৱদান উত্তৰসুৰীয়ে চিৰদিন মনত ৰাখিব।" বিশিষ্ট সাহিত্যিকগৰাকীক চিকিৎসাৰ ক্ষেত্ৰত অসম চৰকাৰেও আগবঢ়াইছিল বিশেষ আৰ্থিক সাহায্য। ইফালে, শশী ফুকনৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে ৰাজ্যৰ প্ৰতিজন লোকেই শোক প্ৰকাশ কৰা দেখা গৈছে। সুদীৰ্ঘ ৫৬ বছৰ ধৰি ধাৰাবাহিকভাৱে এখন আলোচনী প্ৰকাশ কৰি অহা শশী ফুকনক নেদেখাকৈয়ে বা সো-শৰীৰে লগ নোপোৱাকৈয়ে কেবাটাও প্ৰজন্মই তেওঁৰ সৈতে গঢ়ি তুলিছিল এক আত্মিক সম্পৰ্ক। সেয়ে ছ'চিয়েল মিডিয়াত বয়স্কজনৰ পৰা আৰম্ভ কৰি যুৱ-প্ৰজন্মৰ নেটিজেন সকলোৱেই বিস্ময় যুগৰ জনকগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি শশী ফুকনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এনেদৰে নিশাৰ ভাগতেই অধিকাংশ নেটিজেনে তেওঁক শ্ৰদ্ধাৰে ওপচাই দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিপ্লুৰঞ্জনৰ মনোনয়ন দাখিল

চামগুৰি বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আকৰ্ষণীয় হৈ উঠিছে। চামগুৰি উপ নিৰ্বাচনৰ যুঁজখন এইবাৰ যে গৰম হৈ পৰিব সেয়া নিশ্চিত হৈ পৰিছে। যোৱা কালি চামগুৰি উপ নিৰ্বাচনৰ কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী তাঞ্জিল হুছেইনে চামগুৰিৰ কাৰৈমাৰীৰ পৰা এক বৃহৎ ৰেলী কৰি নগাঁও আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দিয়াৰ পিছত আজি বিজেপি দলৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই নগাঁও আয়ুক্ত কাৰ্যালয়ত মনোনয়ন প্ৰত্ৰ দাখিল কৰে। বিজেপি দলৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই আজি চামগুৰি সমষ্টিৰ ভেলেউগুৰিৰ পৰা এক চমক সৃষ্টি কৰি এক বিশাল ৰেলীৰে নগাঁও আয়ুক্ত কাৰ্যালয়ত উপস্থিত হয়। চামগুৰি উপ নিৰ্বাচনৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই নগাঁও জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপৰ ওচৰত প্ৰদান কৰিলে নিজৰ মনোনয়ন পত্ৰ। নগাঁও জিলাৰ চামগুৰি সমষ্টিবাসী বিজেপি কৰ্মী-সমৰ্থকৰ মাজত মনোনয়নপত্ৰ প্ৰদানক কেন্দ্ৰ কৰি আজি পুৱাৰে পৰা উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়। চামগুৰিৰ অন্তৰ্গত প্ৰতিটো ব্লক আৰু গাঁও পঞ্চায়ত এলেকাৰ পৰা বিজেপি সমৰ্থক ৰাইজ হিলদল ভাঙি ওলাই আহি সমৱেত হ'ল ভেলেউগুৰি অঞ্চলত। চামগুৰি উপ নিৰ্বাচনৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ লগত সংগ দিলে ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি ভবেশ কলিতা, মন্ত্ৰী পীযূষ হাজৰিকা, পল্লৱ লোচন দাস, মন্ত্ৰী কেশৱ মহন্ত, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী,মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বিজেপি নেতা সুৰেশ বৰা, ৰাণা গোস্বামী, সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিমল বৰা,মমিনুল আৱাল, ৰামেশ্বৰ তেলী, সাংসদ দিলিপ শইকীয়া, বিস্মিতা গগৈ, নগাঁও জিলা অগপৰ সভাপতি মণিমাধৱ মহন্ত, নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিৎ নাথ, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা প্ৰমুখ্যে কৰি বহু হাই প্ৰফাইল নেতা আৰু-পালিনেতাই। উল্লেখ্য যে, যোৱা কালি চামগুৰি সমষ্টিৰ ৰকিবুল তনয় তথা কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে ঢোলে-দগৰে বিশাল ৰেলীৰে বিগত সময়ৰ অভিলেখ ভংগ কৰি মনোনয়নপত্ৰ দিবলৈ যি যাত্ৰা আৰম্ভ কৰিছিল সেই অভিলেখৰ কৃতিত্ব ভংগ কৰি আজি বিজেপি দলেও বিশাল ৰেলীৰে দেখুৱাই দিলে নিজৰ অপাৰ শক্তি আৰু সামৰ্থ। চামগুৰিত নিৰ্বাচনী ঘূৰ্ণী বতাহৰ পাছততে পৰিস্ফুট হ'ব ৰাজনীতিৰ পথাৰত তেনেই নৱাগত তথা পিতৃৰ পদাংক অনুকৰণ কৰি আৰু হাতৰ আঙুলিত ধৰি খোজ দিয়া কংগ্ৰেছৰ প্ৰাৰ্থী তাঞ্জিল হুছেইন বনাম ভাৰতীয় জনতা পাৰ্টিৰ সাধাৰণ সম্পাদক,অভিজ্ঞ নেতা তথা বিজেপি দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা কোন কাৰ হাতত চামগুৰিৰ উপ নিৰ্বাচনত পৰাস্ত হ'ব লগা হয়। উল্লেখ্য যে নিৰ্বাচনী হিংসাক লৈ এতিয়া সমষ্টিটোত বিৰাজ কৰিছে পশ্চিমবংগ, উত্তৰ প্ৰদেশৰ দৰে পৰিস্থিতিয়ে। অসমত নিৰ্বাচনৰ সময়ত বাকযুদ্ধ হয়, কিন্তু ৰক্তাক্ত সংঘৰ্ষৰ উদাহৰণ অতি কম। কিন্তু সেই সুনাম ধৰিব ৰাখিব নোৱাৰিলে মধ্য অসমৰ চামগুৰি সমষ্টিয়ে। উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা চামগুৰি সমষ্টিত বিগত কেইবাটাও দিনত বাৰে বাৰে নিৰ্বাচনী হিংসা অনুষ্ঠিত হৈছে। হিংসা-প্ৰতিহিংসা এতিয়া উত্তপ্ত চামগুৰি সমষ্টি।

## অস্ত্ৰধাৰী ডকাইতৰ দলত আছিল মহিলা সদস্য, ঘটনাক লৈ চাঞ্চল্য

# দিনৰ পোহৰতে গুৱাহাটী-হাজো পথত দুৰ্বৃত্তই লুটি নিলে নগদ ২ লাখ টকা

**ই-সংবাদ, হাজো, ২৫ অক্টোবৰঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে ডকাইতিৰ ঘটনা। এইবাৰ অস্ত্ৰ দেখুৱাই দুৰ্বৃত্তৰ দলে এখন বাহনৰ চালক-হেণ্ডিমেনৰ পৰা লুটি লৈ গ'ল নগদ দুই লাখ টকা। অভিযোগ অনুসৰি এই দুৰ্বৃত্তৰ দলটোত আছিল এগৰাকী মহিলাও। জানিব পৰা মতে, দিনৰ পোহৰতে আজি এই ঘটনা সংঘটিত হয় গুৱাহাটী-হাজো পথৰ এক নিৰ্জন প্ৰান্তত। আৰক্ষীয়ে সদৰী কৰা মতে, আজি দিনৰ ২ বজাত গুৱাহাটীৰ জালুকবাৰীৰ পৰা হাজো অভিমুখে গৈ আছিল হাজোৰ নিৰাসী প্ৰমোদ বেজবৰুৱাৰ বগা ৰঙৰ ডি আই বাহনখন। সেই সময়ত বাহখনত আছিল চালক আৰু হেণ্ডিমেন। গুৱাহাটীত পৰা যোৱাৰ পৰত ডি আইখনৰ চালক-হেণ্ডিমেনক জালুকবাৰীত লগ কৰি ঘৰৰ নিৰ্মাণকাৰ্যত প্ৰয়োজনীয় হোৱা ৰ'ড ক্ৰয় কৰিবলৈ দুই লাখ টকা দিছিল প্ৰমোদ বেজবৰুৱাই। সেই টকাখিনি লৈ ডি ৱাই খনে হাজো অভিমুখে গৈ গৈ থকাৰ সময়তে হাজো টাউন পোৱাৰ কিছু পূৰ্বে এক নিৰ্জন প্ৰান্তত এখন ইনোভা গাড়ীয়ে তেওঁলোকৰ বাট আৱদ্ধ কৰে। ইয়াৰ পিছতে ইনোভাখনৰ পৰা হাতত অস্ত্ৰসহ নামি আহে তিনিজন যুৱক আৰু এগৰাকী মহিলা। দুৰ্বৃত্ত কেইজনে অস্ত্ৰ দেখুৱাই ডি ৱাইৰ চালক-হেণ্ডিমেনৰ পৰা নগদ দুই লাখ টকা কাঢ়ি নিয়াৰ লগতে লোহাৰ ৰ'ডেৰে মৰিয়াই চালকজনৰ এখন হাত ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাৰ কিছু সময় পিছতে ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰে তদন্ত। ডি আইখনৰ চালকজনে জানিবলৈ দিয়া মতে, জালুকবাৰীৰ পৰাই তেওঁলোকৰ বাহনখন অনুসৰণ কৰি আহিছিল শিলচৰৰ পঞ্জীয়নকৃত ইনোভা বাহনখনে। দিনৰ পোহৰতে সংঘটিত এই ডকাইতি কাণ্ডক লৈ ইতিমধ্যে হাজো থানাত এজাহাৰ দাখিল কৰিছে ডি আইখনৰ গৰাকী প্ৰমোদ বেজবৰুৱাই। লক্ষণীয় যে, শিলচৰৰ পঞ্জীয়ন নম্বৰৰ এখন বাহনে হাজোত এনে ডকাইতি কাণ্ড সংঘটিত কৰা কাৰ্য্যৰ পিছতে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিক লৈ প্ৰশ্নৰ উত্থাপন হৈছে। ঘটনাটোক লৈ ৰাজ্যজুৰি সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ।

# উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত ৰাজ্যজুৰি নাথ-যোগীৰ ধৰ্মঘট

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ অক্টোবৰঃ** ৰাজ্যত বসবাস কৰা নাথ-যোগী জনগোষ্ঠীৰ বাবে উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত অসম প্ৰাদেশিক যোগী সম্মিলনীয়ে ইয়াৰ ভাতৃ তথা সহযোগী সংগঠন সমূহৰ সহযোগিতাত আজি ৰাজ্যজুৰি প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে খিলঞ্জীয়া নাথ-যোগী জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত নাথ যোগী স্বায়ত্বশাসিত পৰিষদ(উপগ্ৰহীয়) গঠন কৰা আৰু নাথ যোগী সকলৰ সংৰক্ষিত শ্ৰেণীৰ অধিসূচনাক আইনলৈ ৰূপান্তৰ কৰাৰ দাবীত আজি ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়। ৰাজ্যৰ ধুবুৰীৰ পৰা শদিয়ালৈ ৰূপায়িত হোৱা প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে নিজ দাবীৰ সমৰ্থনত বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড লৈ বিভিন্ন শ্লোগানেৰে পৰিৱেশ মুখৰিত কৰি তোলে। ইপিনে অসম প্ৰাদেশিক যোগী সম্মিলনীৰ সভাপতি ধীৰেন নাথে অসমৰ উপেক্ষিত আৰু অৱহেলিত নাথযোগী সকলৰ সৰ্বাঙ্গীন বিকাশ আৰু ভৱিষ্যত জাতি-মাটি-ভেটিৰ নিৰাপত্তাৰ স্বাৰ্থত ৰাজ্য চৰকাৰে নাথযোগী সকলৰ বাবে এখন উপগ্ৰহীয় স্বায়ত্বশাসিত পৰিষদ গঠন নকৰালৈকে আন্দোলন চলি থাকিব বুলি উল্লেখ কৰিছে। প্ৰণিধানযোগ্য যে নামনি অসমৰ ধুবুৰী, বিলাসীপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, গোৱালপাৰাত আজি অসম প্ৰাদেশিক যোগী সম্মিলনীৰ উদ্যোগত এই প্ৰতিবাদী ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত হয়। এনেদৰে শুকুৰবাৰৰ দিনটোত ৰাজ্যৰ ভিন্ন প্ৰান্ত উত্তাল হৈ পৰে।

# গোৱালপৰীয়া অভিধানৰ প্ৰণেতা, বিশিষ্ট সাহিত্যিক কাছেমা খাতুনৰ বিয়োগ

**ই-সংবাদ, ২৫ অক্টোবৰঃ** গোৱালপৰীয়া অভিধানৰ প্ৰণেতা, কবি, বিশিষ্ট সাহিত্যিক কুমাৰী কাছেমা খাতুনে আজি অচিনা দেশলৈ মেলানি মাগিলে। শুকুৰবাৰে পুৱাই নিজ ঘৰত মৃত্যুক আকোৱালি লয়। অবিভক্ত গোৱালপাৰা জিলাৰ তেলীপাৰা গেৰামাৰী গৌৰীপুৰত জন্মগ্ৰহণ কৰা কাছেমা খাতুন নামনি অসমৰ দেশী জনগোষ্ঠীৰ পৰম্পৰাগত ভাষা, সাহিত্যৰ অন্যতম খনিকৰ আছিল। অসমীয়া, বাংলা, দেশী, গোৱালপৰীয়া ভাষাত ৰচিত কবিতা, গল্প, উপন্যাস আৰু প্ৰবন্ধ আদি বিশেষভাৱে জনপ্ৰিয় আছিল। কুমাৰী কাছেমা ব্যক্তিত্বই সকলোকে আকৰ্ষিত কৰিছিল। দেশী ভাষাৰ সাহিত্য চৰ্চাৰ



অন্যতম পাথেয় কাছেমা খাতুনৰ মৃত্যু অপূৰণীয় ক্ষতি। তেখেত গোৱালপৰীয়া অভিধান লিখি উলিয়াইছিল। লগতে কাব্য সংকলন লবেজান, অনুভূতি, পৃথিৱীৰ দুৱাৰ বিচাৰি, তোমাৰ বাবে, গোৱালপৰীয়া কাব্য সংকলন নিধুৱা পাথাৰ, বাংলা কাব্য সংকলন নিৰ্জন সৈকত, পুস্তিকা ডেমু, চুটি গল্প জন্ম যন্ত্ৰণা আশা ইত্যাদি, ৰূপালী বালিৰ সপোন লিখি অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰিছিল। ড০ আম্বেদকাৰ পুৰস্কাৰ, ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত শিক্ষয়িত্ৰী খাতুনৰ অৱদান জাকত জিলিকা হৈ থাকিব। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দেশী জনগোষ্ঠীয় মঞ্চই কাছেমা খাতুনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ওলট-পালট বিটিআৰৰ ৰাজনীতি!

পত্ৰ দাখিল কৰাৰ প্ৰাকমুহূৰ্তত বাতৰিয়ে চৰ্চা লাভ কৰে যে বিপিএফ দল এৰি ইউপিপিএল দলত যোগদান কৰা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই পুনৰ বিপিএফ দলত যোগদান কৰিব। এই বাতৰিয়ে আজিৰ শুদ্ধ বসুমতাৰীয়ে বিপিএফ দলৰ হৈ চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত মনোনয়ন পত্ৰ দাখিল কৰা অনুষ্ঠানত বিশেষ চৰ্চা লাভ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে বিগত লোকসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিপিএফ দল ত্যাগ কৰি ইউপিপিএলত যোগদান কৰিছিল এসময়ত বিপিএফ দলৰ শীৰ্ষ পৰ্য্যায়ৰ নেতা তথা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই। প্ৰাক্তন মন্ত্ৰী ব্ৰহ্মই ইউপিপিএল দলত যোগদান কৰা পূৰ্বৰে পৰা চৰ্চা চলি আছিল যে চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী সাংসদ হিচাপে নিৰ্বাচিত হৈ যোৱাৰ পিছত ৩১ নং চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএল দলৰ হৈ টিকট লাভ চন্দন ব্ৰহ্মা। কিন্তু শেহতীয়া কৈ বহু জল্পনা কল্পনাৰ অন্ত পেলাই চিদলী সমষ্টিৰ উপ-নিৰ্বাচনত চন্দন ব্ৰহ্মক টিকটৰ পৰা বঞ্চিত কৰি নিৰ্মল কুমাৰ ব্ৰহ্মক দলীয় টিকট প্ৰদান কৰে। ইয়াৰ পিছত ইউপিপিএল দলৰ পৰা টিকট বিচাৰি বিমুখ হোৱা চন্দন ব্ৰহ্মই জিলা নিৰ্বাচনী বিষয়া কাৰ্য্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল। যি বাতৰিয়ে চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক এক অন্য মাত্ৰা প্ৰদান কৰে। তাৰ মাজতেই আজি মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম দিনত বাতৰি প্ৰকাশ পায় যে বিপিএফ দলৰ পৰা দল ত্যাগ কৰি ইউপিপিএল দলত যোগদান কৰা প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মক পুনৰ বিপিএফ দলত পুনৰ ওভতাই আনিবলৈ আলোচনা আৰম্ভ হৈছে। চন্দন ব্ৰহ্মা কোন? তেখেতক মই চিনি নেপাওঁ বুলি কোৱা বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীক আজি কাজলগাঁৱত সাংবাদিকে প্ৰশ্ন কৰাত হাগ্ৰামা মহিলাৰীয়ে পূৰ্বৰ কঠোৰ সুৰ সলনি কৰি সম্পূৰ্ণ বিপৰীত ভাষ্য প্ৰদান কৰি কয় যে চন্দন ব্ৰহ্মা যদি আকৌ আমাৰ বিপিএফ দলত যোগদান কৰিব খোজে তেন্তে আমি নিশ্চয় তেখেতক আকোৱালি ল'ম আৰু চন্দন ব্ৰহ্মাৰ ওচৰত মই নিজেই মানুহ পঠিয়াই দিছো বুলি তাৎপৰ্য্যপূৰ্ণ মন্তব্য কৰে। আনপিনে প্ৰাক্তন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই কয় যে এটা সময়ত জাতিৰ হকে হাগ্ৰামা মহিলাৰী, চন্দন ব্ৰহ্মা হতে একেলগে সংগ্ৰাম কৰিছিল আৰু পৰৱৰ্তী সময়ত বিটিচি শান্তিচুক্তি সম্পাদিত কৰি দুয়ো একেলগে ৰাজনৈতিক পথাৰত নামি বিটিচিৰ উন্নয়নৰ হকে কাম কৰি গৈছিল। কিন্তু কিবা এটা কাৰণে চন্দন ব্ৰহ্মই বহুদিন আমাৰ দলৰ পৰা আঁতৰি আছিল। পিছত তেওঁ ইউপিপিএল দলত যোগদান কৰিছিল কিন্তু ইউপিপিএল দলত হয়তো প্ৰাপ্য মৰ্য্যদা পোৱা নাই যাৰ কাৰণে তেওঁ পুনৰ নিজৰ দলত উভতি অহাৰ চিন্তা কৰিছে এয়া নিশ্চিতভাৱে আদৰণীয় পদক্ষেপ হ'ব বুলি মন্তব্য কৰে। আজি-কাইলৈৰ ভিতৰত তেওঁ হয়তো বিপিএফ দলত উভতি নাহিবও পাৰে। অলপ সময় লাগিব পাৰে, কিন্তু খুব কম সময়ৰ ভিতৰত চন্দন ব্ৰহ্মই বিপিএফ দলত পুনৰ উভতি আহিব আৰু চন্দন ব্ৰহ্মা উভতি আহিলে আমাৰ বিপিএফ দল পুনৰ শক্তিশালী হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। ইপিনে চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিপিএফ দলৰ প্ৰাৰ্থী শুদ্ধ বসুমতাৰীয়ে চন্দন ব্ৰহ্মাৰ পুনৰ আগমনৰ বাৰ্তাক আদৰণি জনায় আৰু তেওঁ আহিলে বিপিএফ দলে নিশ্চয় আদৰি ল'ব বুলি মন্তব্য কৰে। অনুৰূপভাৱে একালৰ সতীৰ্থ পাৰিষদ জেমচ বসুমতাৰী আৰু পানীৰাম ব্ৰহ্ময়ো প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মক বিপিএফ দলত পুনৰ ওভতাই অনাৰ পক্ষত মত পোষণ কৰে আৰু আদৰণি জনায়। ইপিনে আজিৰ দিনটোত চন্দন ব্ৰহ্মাৰ এই বাতৰি বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ হোৱাৰ পিছত ইউপিপিএল দলৰ ভিতৰচ'ৰাতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। প্ৰাপ্ত খবৰ অনুসৰি আজি সমগ্ৰ বিষয়টো লৈ চন্দন ব্ৰহ্মাৰ সৈতে প্ৰমোদ বড়োৰ এক বৈঠক অনুষ্ঠিত হ'ব। সন্ধিয়াৰ ভাগত চিৰাঙৰ চাপাগুৰীস্থিত হোটেল ছিগনেটত এক বিশেষ বৈঠক অনুষ্ঠিত হৈছে। প্ৰমোদ বড়োৰ সৈতে অনুষ্ঠিত হোৱা বৈঠকত চন্দন ব্ৰহ্মাৰ উপৰি তেওঁৰ শতাধিক অনুগামী উপস্থিত আছে বুলি জানিব পৰা গৈছে। বৈঠকৰ অন্তত চন্দন ব্ৰহ্মই কি সিদ্ধান্ত গ্ৰহণ কৰে এয়াই এতিয়া ৩১ নং চিদলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত চৰ্চিত বিষয় হিচাপে বিবেচিত হৈছে।

# কঠীয়াতলীত সাংবাদিকৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, কামপুৰ, ২৫ অক্টোবৰঃ** ৰাজ্যৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ সাংবাদিকক কৰ্তব্যৰত অৱস্থাত দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰা ঘটনাক ধিক্কাৰ দিছে কঠীয়াতলী প্ৰেছ ক্লাবে। আজি কঠীয়াতলী প্ৰেছ ক্লাবে এই ঘটনাক গৰিহণা দি এক ঘণ্টা সময় অৱস্থান ধৰ্মঘট পালন কৰে। উল্লেখ্য যে বৃহস্পতিবাৰে চামগুৰিত কংগ্ৰেছ আৰু বিজেপিৰ বাতৰি সংগ্ৰহ কৰি থকা সময়ত একাংশ দুষ্কৃতিকাৰীয়ে কৰ্তব্যৰত অৱস্থাত থকা বহুকেইটা সংবাদ প্ৰতিষ্ঠানৰ কেইবাগৰাকীও সাংবাদিকক আক্ৰমণ কৰিছিল। কঠীয়াতলী প্ৰেছ ক্লাবে উদ্বিগ্নতা প্ৰকাশ কৰা লগতে এই ঘটনাক ধিক্কাৰ জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান জিপি সিঙক বাৰে বাৰে সাংবাদিকৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনা সন্দৰ্ভত উপযুক্ত ব্যৱস্থা ল'বলৈ আহ্বান জনায় কঠীয়াতলী প্ৰেছ ক্লাবে। লগতে দোষীৰ বিৰুদ্ধে দৃষ্টান্তমূলক ব্যৱস্থা লোৱাৰো দাবী জনায়। এই ক্ষেত্ৰত জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাকো সাংবাদিকক আক্ৰমণৰ ঘটনাৰ তদন্তৰ ক্ষেত্ৰত হস্তক্ষেপৰ আহ্বান জনায়। ধৰ্মঘট কাৰ্যসূচীত আদিবাসী নেতাদ্বয় বীৰেন মিৰ্ধা আৰু প্ৰৱণ পানিকাই অংশ লয়।

# গোলকগঞ্জত মোনা কাঢ়ি নিয়াৰ অভিযোগত কৃষক মুক্তিৰ নেতাক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৫ অক্টোবৰঃ** ধুবুৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদকক যোৱা নিশা গোলকগঞ্জ আৰক্ষীয়ে আটক কৰি জামিনত মুকলি কৰি দিয়া ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোলকগঞ্জৰ সুবীৰ সৰকাৰে ২১ ছেপ্টেম্বৰত গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, সিদিনা সন্ধিয়া দোকান বন্ধ কৰি ঘৰলৈ যোৱা সময়তে কৃষক মুক্তি সংগ্ৰাম সমিতৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক তথা বিচনদৈ প্ৰথম খণ্ড গাঁৰৰ আবু ছফিয়ানা (আখিৰ খান)ই টকাৰ মোনা কাঢ়ি নিয়ে। এই সন্দৰ্ভত গোলকগঞ্জ থানাত সিদিনাই সুবীৰে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰ দিয়াৰ পিছতো গোলকগঞ্জ থানাৰ স্বভাৱগত অভ্যাস মতে গোচৰ পঞ্জীয়নৰ লগতে তদন্তৰ পৰাও বিৰত থাকে। এমাহৰ পিছত কালি হঠাতে গোলকগঞ্জ আৰক্ষী যেন সাৰ পাই উঠে। সন্ধিয়া আবু ছফিয়ানা ওৰফে আখিৰ খানক আটক কৰি বহাই ৰাখে। অৱশ্যে পিছত জামিনত মুকলি কৰি দিয়ে। আনহাতে, একে ধৰণে আখিৰ খানে সোণাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰৰ একাংশ ব্যৱসায়ীয়ে তেওঁক আক্ৰমণ কৰা বুলিও সিদিনাই তেওঁ গোলকগঞ্জ থানাত আন এখন এজাহাৰ দাখিল কৰিছিল। কিন্তু আৰক্ষীয়ে কোনো এখন এজাহাৰো ইমান দিনে পঞ্জীয়ন কৰা নাছিল। সোণাহাট আন্তৰ্জাতিক বাণিজ্যে কেন্দ্ৰক কেন্দ্ৰ কৰিয়ে সমগ্ৰ ঘটনা সংঘটিত হোৱা বুলি ৰাইজৰ মাজত বিশেষ চৰ্চা আৰম্ভ হৈছে। ইফালে, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ দৰে সংগঠন এটাৰ নেতাই এনে কাৰ্য কৰাক সহজভাৱে ল'ব পৰা নাই সাধাৰণ কৰ্মীসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাহিনীৰ নপৰিব অন্ত! বিজেপিৰ দিগন্ত

মনোনয়ন দাখিল কৰে। আজি লুৰীণজ্যোতি গগৈৰ উপস্থিতিত চিপিআইএমএলৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মী আৰু গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন দাখিল কৰে। উল্লেখ্য যে, বিৰোধী ঐক্যক তচ-নচ কৰি আজি পৃথকে বিৰোধীৰ দুটা দলৰ দুজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে বিহালী সমষ্টিত। শেহতীয়াকৈ বিহালী সমষ্টিৰ প্ৰাৰ্থিত্বক লৈ ফাঁট মেলিছিল বিৰোধী ঐক্যত। তাৰ পিছতে আজি নৱ গঠিত বিৰোধী ঐক্য অসম সন্মিলিত মৰ্চাৰ বিৰুদ্ধে শক্তি প্ৰদৰ্শন কৰি সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন ৰাজ্যিক সভাপতি ৰিপুণ বৰা, বিধায়িকা শিৱামণি বৰা, বিধায়ক আছিফ নাজাৰক কাষত লৈ মনোনয়ন দাখিল কৰিলে কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাই। প্ৰাৰ্থীগৰাকীৰ মনোনয়ন দাখিলৰ পূৰ্বে বাহিৰ কৰা এক ৰেলীত আজি পাঁচ সহস্ৰাধিক দলীয় নেতা-কৰ্মীয়ে ভাগ লৈ জয়ন্ত বৰা জিন্দাবাদা, গৌৰৱ গগৈ জিন্দাবাদা, কংগ্ৰেছ জিন্দাবাদ ধ্বনিৰে কঁপাই তোলে আকাশ বতাহ। ইয়াৰ পিছতে মনোনয়ন দাখিল কৰি এইবাৰ বিহালীত কংগ্ৰেছৰ জয় নিশ্চিত বুলি দাবী কৰে প্ৰাৰ্থী জয়ন্ত বৰাই। বৰাই কয়, "বিহালী সমষ্টিৰ ৰাইজৰ দাবী আছিল এটা ৰাষ্ট্ৰীয় দলৰ পৰা মই দলীয় নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো। আজি মোৰ মনোনয়ন দাখিলেৰে ৰাইজৰ আশা পূৰণ হ'ল। নিৰ্বাচনত যিমান সংখ্যক মানুহ ওলাই আহিছে তাৰ দ্বাৰা প্ৰমাণ হয় যে বিহালী বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰায় ৩০ হাজাৰ ভোটৰ ব্যৱধানত বিজয়ী হ'ব।" বিশ্বনাথ জিলা নিৰ্বাচনী বিষয়া মুনিন্দ্ৰ নাথ ঙাটৈৰ হাতত কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন প্ৰাৰ্থী দাখিল কৰে। মনোনয়ন দাখিৰ সময়ত গৌৰৱ গগৈয়ে কয় যে বিহালীৰ ৰাইজে ভয় আৰু আতংকৰ পৰা মুক্তি বিচাৰিছে। বিহালীৰ ৰাইজক পৰিত্ৰাণ দিবৰ বাবেই এই নিৰ্বাচন। এই নিৰ্বাচন সেইসকল বাগানীয়া যুৱকৰ বাবে যিসকলে জলপানিৰ পৰা বঞ্চিত হৈছে। এই নিৰ্বাচন বাঘমাৰী বাগানৰ শ্ৰমিকৰ স্বাৰ্থত।, যিসকল শ্ৰমিকে বানচ নাপায় আন্দোলন অব্যাহত ৰাখিছে। গৌৰৱ গগৈয়ে আৰু কয় যে আমি অসম সন্মিলিত মৰ্চাক সন্মান আৰু শ্ৰদ্ধা কৰো। সকলোৰে সৈতে আমাৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। আমি সেই সম্পৰ্ক এৰিবলৈ নিবিচাৰো। আমাৰ সন্মুখত এটাই উদ্দেশ্যে যে আমি বিজেপি দলটোক পৰাজিত কৰিব লাগে। জয়ন্ত বৰা অকলশৰীয়া নহয় বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয় যে আমাৰ প্ৰাৰ্থী অকলশৰীয়া নহয়। বিশ্বনাথ জিলা সমিতিৰ সভাপতি দিলীপ বৰুৱা, প্ৰেমলাল গুঞ্জু, সঞ্জু বৰুৱা, বৰ্ণালী ফুকন, মনোজ গৌতম থকা বুলি কয়। গৌৰৱ গগৈয়ে কয় যে আমি সকলোৱে এক গোট। বিশ্বনাথ জিলাৰ প্ৰতিটো বুথ, প্ৰতিটো মণ্ডল বিহালী সমষ্টিত নামি পৰিব। ইপিনে আজি লুৰীণজ্যোতি গগৈ, অজিত কুমাৰ ভূঞা, চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু ৰাইজৰ দলৰ কেইবাজনো নেতাৰ উপস্থিতিত চিপিআইএমএলৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীয়েও মনোনয়ন দাখিল কৰে। লক্ষ্মীকান্ত কুৰ্মীৰ মনোনয়ন দাখিলৰ পূৰ্বে অনুষ্ঠিত সভাত ভাষণ দি লুৰীণজ্যোতি গগৈয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে বিজেপিয়ে দুগৰাকী প্ৰাৰ্থী দিছে। এগৰাকী হৈছে জয়ন্ত বৰা আনগৰাকী হৈছে দীগন্ত ঘাটোৱাৰ। বিজেপিয়ে এজন প্ৰাৰ্থী নিজৰ দলৰ পৰা দিছে, আনগৰাকী প্ৰাৰ্থী কংগ্ৰেছ দলত ভৰাই পৰিকল্পিতভাৱে থিয় কৰাইছে। লুৰীণজ্যোতি গগৈয়ে লগতে কয় যে এইবাৰৰ যুঁজখন পোনপটীয়া যুঁজ হ'ব। এই যুঁজ বিজেপিৰ বিৰুদ্ধে পোনপটীয়া যুঁজ। এই যুঁজ যে অসমৰ যুঁজ সেই কথা বিহালীৰ ৰাইজে মানি লৈছে। লুৰীণে বাগানীয়া ভাষাতে ভাষণ প্ৰদান কৰি ৰাইজক প্ৰশ্ন কৰে, "বিজেপিয়ে বাগানৰ শ্ৰমিকক কিমান পাৰিশ্ৰমিক দিম কৈছিল? ৩৫১ টকা, হয় নে নহয় আপোনালোকে কওক। কিন্তু বিজেপিয়ে এই পাৰিশ্ৰমিক দিলে নে? আনহাতে, টকা-পইছা, লবীবাজি, অংহকাৰৰ কথা উল্লেখ কৰি লুৰীণে কয় যে প্ৰাৰম্ভিক যুঁজত বিহালীৰ ৰাইজ আৰু 'অসম'ৰ জয় হৈছে। প্ৰমাণ হৈছে যে টকা-পইছাৰে কেতিয়াও মানুহৰ ভোট কিনিব নোৱাৰি। টকা-পইছা, লবীবাজি, অংহকাৰৰ দাম জনতাৰ ওচৰত নাই। যদি শক্তি আছে সেয়া একতাৰ শক্তি আছে। সেয়া ৰাইজে প্ৰমাণ কৰি দেখুৱাব লাগিব। জয়ন্ত বৰাক টিকট প্ৰদানত ক'ত কি হ'ল গমেই নোপোৱা বুলি কৈ লুৰীণজ্যোতি গগৈয়ে কয় যে এয়া টকাৰ জোৰ। লগতে আছে হিমন্তৰ জোৰ। বিজেপি আৰু কংগ্ৰেছক ভোট নিদিবলৈ আহ্বান জনাই লুৰীণে আৰু কয় যে কংগ্ৰেছক যিসকলে ভোট দিম বুলি ভাবি আছে সেইসকলে শুনক কংগ্ৰেছক ভোট দিয়া মানেই বিজেপিক ভোট দিয়া। কংগ্ৰেছক ভোট দিয়া মানে হিমন্তক ভোট দিয়া। সেয়েহে সকলোকে অসম সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীক ভোট দিয়াৰ আহ্বান জনাই লুৰীণজ্যোতি গগৈয়ে। আনহাতে, বিহালী সমষ্টিৰ বিজেপি প্ৰাৰ্থী সাংসদ ৰঞ্জিত দত্তৰ ঘনিষ্ঠ দীগন্ত ঘাটোৱাৰে ইতিমধ্যে মনোনয়ন দাখিল কৰি তীব্ৰ প্ৰচাৰ আৰম্ভ কৰিছে। মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ ৰঞ্জিত দত্তই ঘাটোৱাৰক লৈ তীব্ৰ প্ৰচাৰ চলাই বিজেপিক ভোট দিয়াৰ আহ্বান জনাই গৈছে। কেন্দ্ৰ আৰু ৰাজ্যত বিজেপি চৰকাৰ সেয়েহে বিহালীত বিজেপিক ভোট দিবলৈ আহ্বান জনাইছে বিজেপিৰ প্ৰচাৰকসকলে। অইন দলক ভোট দি উন্নয়নৰ পৰা পিছ নেপেলাবলৈ অনুৰোধ কৰিছে গৈছে বিজেপিয়ে। বিহালীত আম আদমী পাৰ্টিও পিছ পৰি থকা নাই। কাইলৈ বিহালী উপ-নিৰ্বাচনৰ বাবে ঘোষণা কৰা প্ৰাৰ্থী অনন্ত গগৈয়ে মনোনয়ন দাখিল কৰিব। বিশ্বনাথ জিলা আপৰ সভাপতি মেহুয়েল বসুমতাৰীয়ে বিৰোধী ঐক্য মঞ্চৰ সৈতে সম্পৰ্ক নাই বুলি উল্লেখ কৰি কয় যে আপ হৈছে এটা ৰাষ্ট্ৰীয় দল। সেইবাবে বিহালীত আমি প্ৰাৰ্থিত্ব দিছো। উল্লেখ্য যে, বিহালী সমষ্টিৰ প্ৰাৰ্থিত্বকেন্দ্ৰীক সংঘাতে চূড়ান্ত ৰূপ পোৱাৰ পাছতে অসম সন্মিলিত মৰ্চাৰ পৰা কংগ্ৰেছক আঁতৰাই দিয়ে ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ নেতৃত্বই। অসম সন্মিলিত মৰ্চাই উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫টা সমষ্টিৰ ভিতৰত চাৰিটা সমষ্টি কংগ্ৰেছক আৰু বিহালী সমষ্টি চিপিআইএমএলক এৰি দিবলৈ সিদ্ধান্ত লৈছিল। কিন্তু বিহালী সমষ্টি কংগ্ৰেছে এৰি নিদি নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰাত নাৰাজ হয় অসম সন্মিলিত মৰ্চাৰ অন্যান্য দলসমূহ। যাৰ ফলত কালি ততাতৈয়াকৈ অসমে কংগ্ৰেছক আঁতৰাই চিপিআইএমএলে থিয় কৰোৱা প্ৰাৰ্থীজনক সমৰ্থন কৰাৰ ঘোষণা কৰে। এনেকৈ এতিয়া আকৰ্ষণীয় হৈ পৰিছে বিহালী সমষ্টিৰ উপ-নিৰ্বাচনৰ যুঁজখন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০ শতাংশ টিকট কংগ্ৰেছে

অভিযোগ উত্থাপন কৰিছে। আজি ঝাৰখণ্ডত সাংবাদিকৰে মুখামুখি হৈ হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰতিটো নিৰ্বাচনতে কংগ্ৰেছে ২০ শতাংশ টিকট বিক্ৰী কৰে। ঝাৰখণ্ডৰ কংগ্ৰেছ বিধায়ক উমাশংকৰ আকেলাক টিকট নিদিয়াত তেওঁ নিৰ্দলীয়া হিচাপে থিয় দিব বুলি চৰ্চাৰ সময়তে হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছে তীব্ৰ আক্ৰমণ কৰি দুই কোটি টকাকৈ টিকটকৈ টিকট বিক্ৰী কৰাৰ অভিযোগ আনে। কিয়নো উমাশংকৰ আকেলাই নিজ দলৰ বিৰুদ্ধে টিকট বিক্ৰীৰ অভিযোগ আনিছিল। আকেলাই অভিযোগ অনাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ময়ো কংগ্ৰেছত আছিলো। যদি কোনোবা বিধানসভা নিৰ্বাচনত এশখন আসন থাকে। তেন্তে কংগ্ৰেছত ২০ খন আসন বিক্ৰী কৰে। এয়া পৰম্পৰা। উমাশংকৰ আকেলাই যি কৈছে সেয়া নতুন কথা নহয়। মই দেখিছো যে নিৰ্বাচন অনুষ্ঠিত হোৱা প্ৰতিখন ৰাজ্যতে কংগ্ৰেছৰ ২০ শতাংশ টিকট বিক্ৰী হয়। কিয়নো ময়ো এসময়ত কংগ্ৰেছত আছিলো। মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ পিছতে কংগ্ৰেছৰ নেতাসকলেও প্ৰত্যুত্তৰ দিয়া দেখা গৈছে। কংগ্ৰেছৰ একাংশ নেতাই কয় যে কংগ্ৰেছত থকা সময়ত দলৰ নেতৃত্বৰ পৰা গোপনে ৰাখি হিমন্তইহে তেনে কাম কৰিছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# প্ৰত্যক্ষ নিযুক্তিৰ বাছনি পৰীক্ষাৰ বাবে তিনিচুকীয়া প্ৰশাসন সাজু

**ই-সংবাদ, ডুমডুমা, ২৫ অক্টোবৰঃ** অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা(ADRE)ৰ অহা ২৭ অক্টোবৰ(তৃতীয় পৰ্যায়ত) ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাতো পৰীক্ষা অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলাৰ ৪৭ টা কেন্দ্ৰত পুৱা ৯ বজাৰ পৰা ১২.৩০ বজালৈ অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত ২৭,৫৪০ জন প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। সেইদিনাই আবেলি ১.৩০ বজাৰ পৰা ৪ বজালৈ ২৫ টা কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া পিছবেলাৰ পৰীক্ষাত ১৭,৪৬৩ জন প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে যে এই পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কত ২৪ অক্টোবৰত জিলা আয়ুক্ত স্বপ্নীল পালে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। বৈঠকত অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইন আৰু ছুপাৰভাইজিং বিষয়াসকল উপস্থিত থাকে। সভাত আয়ুক্তগৰাকীয়ে কাইলৈৰ ভিতৰত সকলো পৰীক্ষকক যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি আজি প্ৰায়বোৰ পৰীক্ষা কেন্দ্ৰতে নিয়োজিত হ'বলগীয়া পৰীক্ষকসকলক নিজ নিজ কেন্দ্ৰতে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই পৰীক্ষাৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিয়োজিত খাদ্য আৰু অসামৰিক যোগান আয়োগৰ আয়ুক্ত আনন্দ দাস কাইলৈ তিনিচুকীয়াত আহি উপস্থিত হ'ব। পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত তেওঁ জিলাখনতে বাহৰ পাতি সকলো কাম-কাজ তথা বিধি-ব্যৱস্থাসমূহ পৰ্যবেক্ষণ কৰিব। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তিৰ বাবে যোৱা মাহত আয়োজিত পূৰ্বৰ দুটা বাছনি পৰীক্ষাত আবেদনকাৰী প্ৰাৰ্থীসকলৰ প্ৰায় ৭৩ শতাংশই অৱতীৰ্ণ হৈছিল। এইবেলিও পৰীক্ষা সম্পূৰ্ণ নিয়াৰিকৈ আৰু নিকা তথা শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। প্ৰতিটো কেন্দ্ৰতে নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ উপৰি চি চি টিভি কেমেৰাৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাৰ দিনা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ দায়িত্বত থকা বিষয়া-কৰ্মচাৰীৰ বাহিৰে আন লোকৰ প্ৰৱেশ সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। নিজৰ পৰিচয় পত্ৰ, এডমিট কাৰ্ড আৰু কলমৰ বাহিৰে আন সামগ্ৰী নানিবলৈ কোৱা হৈছে।

## পাৰ্কুপাইনত খুন্দা, কথামপি ৰক্ষা ১১ জনকৈ স্বাস্থ্য কৰ্মীৰ

# মাজুলীত ব্ৰহ্মপুত্ৰৰ বুকুত ভয়ংকৰ নৌকা দুৰ্ঘটনা

**ই-সংবাদ, মাজুলী, ২৫,অক্টোবৰঃ** মাজুলীত ব্ৰহ্মপুত্ৰৰ বুকুত সংঘটিত হৈছে এক নৌকা দুৰ্ঘটনা। এই দুৰ্ঘটনাৰ ফলত ১১ জনকৈ স্বাস্থ্য কৰ্মীৰ প্ৰাণ ৰক্ষা পৰিছে। ঘটনা অনুসৰি মাজুলীৰ নদী কাষৰীয়া অঞ্চলৰ লগতে চৰ চাপৰি আৰু আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰি অঞ্চলৰ লোকসকলক ভ্ৰাম্যমাণ নৌকা স্বাস্থ্য সেৱাৰ যোগেদি লোকসকলৰ স্বাস্থ্য পৰীক্ষাকে আদি কৰি চিকিৎসা সেৱা প্ৰদান কৰি আহিছে মাজুলীৰ স্বাস্থ্য কৰ্মীৰ লোকসকলে। নৌকা স্বাস্থ্য সেৱাৰ জৰিয়তে বৃহস্পতিবাৰে চামগুৰি অঞ্চলত সেৱা আগবঢ়াবলৈ গৈছিল স্বাস্থ্য কৰ্মীসকল। নামনি মাজুলীৰ চামগুৰিৰ সমীপৰ ব্ৰহ্মপুত্ৰত সংঘটিত হয় এই দুৰ্ঘটনা। নৌকাখনত আছিল ১১ জনকৈ স্বাস্থ্য কৰ্মী। নৌকাখন কিছুদূৰ যোৱাৰ পিছতে নদীৰ বুকুত থকা পাৰ্কুপাইনত খুন্দা খাই নৌকাখনৰ তলি ফুটি পানী সোমাবলৈ ধৰে। লগে লগে হাহাকাৰ অৱস্থাৰ সৃষ্টি হয় নৌকাখনত থকা লোকসকলৰ মাজত। নাওখনৰ গুৰিয়ালজনে অতি তৎপৰতাৰে এটা বালিচৰত নাওখন লগাই প্ৰাণৰক্ষা কৰে লোকসকলৰ।ছামগুৰি গাঁৱৰ ৰাইজে ঘটনাটো প্ৰত্যক্ষ কৰি হাত নাৰেৰে কৰ্মীসকলক উদ্ধাৰ কৰি পাৰলৈ আনে আৰু নাওখনত থকা সকলো ঔষধ আৰু বয় বস্তু উদ্ধাৰ কৰি পাৰলৈ আনে। এক ভয়ংকৰ বিপদ পৰা ৰক্ষা পৰে স্বাস্থ্য কৰ্মীৰ দলটো।



হাতে হাত ধৰি ৰাজনীতিত আগুৱাৰ মন! বঙাইগাঁৱত দীপ্তিময়ী চৌধুৰীয়ে মনোনয়ন দাখিল কৰাৰ পাছৰ দৃশ্য

# অসম পশ্চিমবংগ সীমান্তত সক্ৰিয় বাৰ্মিজ চুপাৰি চক্ৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৫ অক্টোবৰঃ** ধুবুৰী জিলাৰ অসম পশ্চিমবংগ সীমান্তত নিশা সক্ৰিয় হৈ পৰিছে অবৈধ বাৰ্মিজ চুপাৰিৰ চালান চক্ৰ। জানিব পৰা মতে, নিতৌ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ছাগলীয়া হৈ পশ্চিমবংগলৈ প্ৰৱেশ কৰি আছে বাৰ্মিজ চুপাৰি ভৰ্তি ট্ৰাক। ট্ৰাকসমূহ বিভাগীয় কৰ পৰিশোধ কৰি বহিঃৰাজ্যলৈ প্ৰৱেশ কৰি আছে। কিন্তু নিশাৰ ভাগত কোনো ধৰণৰ কৰ পৰিশোধ নকৰি একাংশ আৰক্ষীক মেনেজ কৰি বক্ৰ পথেৰে পশ্চিমবংগলৈ প্ৰৱেশ কৰি আছে কৰ ফাঁকি দিয়া বাৰ্মিজ চুপাৰি কঢ়িওৱা বলেৰো পিকআপ ভেন। নিশা এটা চক্ৰই আৰক্ষীক মেনেজ কৰি ছাগলীয়াৰ পৰিৱৰ্তে আগমনি-কালডোৱা-খেৰবাৰী পথেৰে পশ্চিমবংগলৈ চালান কৰে চুপাৰি। বিশেষকৈ হালাকুৰা হৈ পৰিছে চক্ৰটোৰ মূল ঘাটি। হালাকুৰাৰ পৰাই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পোকালাগী, বিদ্যাৰডাবৰী আদি ভিতৰুৱা পথেৰে পশ্চিমবংগ লৈ চালান কৰে বাৰ্মিজ চুপাৰি। হালাকুৰা আৰু আগমনিৰ দুই তিনিজন প'ৰ্টেলৰ সাংবাদিকে মেনেজ নোহোৱা আৰক্ষীৰ গতিবিধি লক্ষ্য ৰাখি ওৰে নিশা পথ প্ৰদৰ্শকৰ দায়িত্ব পালন কৰা বুলি অভিযোগ উত্থাপিত। ১৮ অক্টোবৰৰ সন্ধিয়াতে অবৈধ ভাৱে বাৰ্মিজ চুপাৰি কঢ়িওৱা AS-18 C-3173 নম্বৰৰ বলেৰো পিকআপ ভেন এখন পশ্চিমবংগ অভিমুখে ৰাওনা হৈছিল। গোপন খবৰৰ ভিত্তিত ধুবুৰী চিজিএছটি বিভাগে খেদি যোৱাত সৰববাহকাৰীয়ে বাহনখন বেলগুৰি পেট্ৰ'ল পাম্পত এৰি থৈ পলায়ন কৰে। ২১ অক্টোবৰৰ নিশা কৰ ফাঁকি দিয়া বলেৰো পিকআপ ভেন এখন আগমনিত আৰক্ষীক দেখা পাই বাহন ঘূৰাই বিৰাট নগৰ চাৰিআলিৰ দিশত পলায়ন কৰে।

### মকামিলা কৰাৰহে পৰামৰ্শ ৰাজহ চক্ৰ বিষয়াৰ

# মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত ভেৰভেৰী বিল অনা অসমীয়াৰ দখলত

**ই-সংবাদ, মৰিগাঁও,২৫ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মনহা মৌজাৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত ভেৰভেৰী বিলত গোজেই গজালি মেলাৰ লেখীয়া এক কৰ্ম কাণ্ডই বিলখনৰ সাতামপুৰুষীয়া ঐতিহ্যৰ প্ৰতি প্ৰবল ভাবুকি কঢ়িয়াই আনিছে। উল্লেখ্য যে ভেৰভেৰী বিলৰ পাৰত অঞ্চলটোৰ ৰাইজৰ সন্মতি সাপেক্ষে অঞ্চলটোত বসবাস কৰি অহা বিহাৰী সম্প্ৰদায়ৰ একাংশ লোকে যঠ পূজাৰ বাবে কেইটামান বেদী নিৰ্মাণ কৰিছিল। এই বেদীত উক্ত লোকসকলে বহুবছৰৰ পৰা পূজা-অৰ্চনা কৰি আহিছিল। শেহতীয়াকৈ এই লোকসকলে ৰাইজৰ কোনোধৰণৰ অনুমতি নোলোৱাকৈয়েই বিলৰ পাৰৰ উক্ত স্থানত স্থায়ীভাৱে এটা প্ৰকাণ্ড মণ্ডপ নিৰ্মাণ কৰিবলৈ লোৱাত অঞ্চলটোৰ ৰাইজ তীব্ৰ অসন্তুষ্ট হৈ পৰিছে। এই লৈ সম্প্ৰতি দুয়ো পক্ষৰ মাজত শীতল যুদ্ধও আৰম্ভ হৈছে। ইফালে এই গৃহটোৰ নিৰ্মাণ কাৰ্য শাসকীয় দলৰ একাংশ নেতা-কৰ্মীৰ পৃষ্ঠপোষকতাত চৰকাৰী পুঁজিৰে হোৱা বুলিয়ো স্থানীয় ৰাইজে জনাইছে। বিলখনৰ পাৰত বিহাৰী সম্প্ৰদায়ৰ দ্বাৰা চলা এনে অবৈধ বেদখল শীঘ্ৰে বন্ধ কৰাৰ দাবীত বিলপৰীয়া ৰাইজে মায়ং ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ভেৰভেৰি বিলক কেন্দ্ৰ কৰি অঞ্চলটোৰ ৰাইজৰ মাজত জীৱন-জীৱিকাৰ পথ মুকলি হৈছিল। ইয়াৰ উপৰি বিলখনত উৎপাদিত হোৱা মাছ বিক্ৰী কৰি ৰাইজে গাঁও উন্নয়নৰ বিভিন্ন কাম-কাজ তথা থলুৱা কৃষ্টি সংস্কৃতিৰ চৰ্চা সম্পাদন কৰি আহিছে। খিলঞ্জীয়া ৰাইজৰ আৱেগ-অনুভূতি জড়িত এই বিলখনৰ পাৰত এনেদৰে একাংশ অনা-অসমীয়া লোকে আগ্ৰাসী মনোভাৱেৰে কৰা কৰ্মক কোনোপধ্যেই স্থানীয় খিলঞ্জীয়া ৰাইজে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। আনহাতে, এই সন্দৰ্ভত ভেৰভেৰী বিল উন্নয়ন সমিতিয়ে স্থানীয় চক্ৰ বিষয়াক স্মাৰক পত্ৰ দিয়াৰ পিছতো এই ক্ষেত্ৰত ৰাজনৈতিক হেঁচাৰ বাবেই কোনো আশাপ্ৰদ ব্যৱস্থা লোৱা নাই। ইয়াৰ পৰিৱৰ্তে ৰাজহ চক্ৰ বিষয়া গৰাকীয়ে বিষয়টো মকা-মিলা কৰিবলৈহে পৰামৰ্শ দিয়া বুলি অভিযোগ কৰিছে অঞ্চলটোৰ ৰাইজে।

### এম এছ ডি পিৰ ১৩ কোটি টকা পৰিল পানীত

# মৰিগাঁৱৰ মহিলা আই টি আই কলেজ আজিও নহ'ল মুকলি

**ই-সংবাদ, লাহৰীঘাট, ২৩ অক্টোবৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত বোৱালগুৰিত ২০১২-১৩ বৰ্ষতে অসম চৰকাৰৰ দ্বাৰা প্ৰস্তাৱিত এম এছ ডি পি আঁচনিৰ অধীনত এখন মহিলা আই টি আই কলেজ স্থাপনৰ বাবে ১৩ কোটি টকা আৱন্টন লাভ কৰিছিল। উক্ত কলেজখন নিৰ্মাণৰ বাবে চৰকাৰীভাৱে লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত মহমৰা বিলৰ গ্ৰেজিং ৰিজাৰ্ভত ১৫ বিঘা ভূমি আৱণ্টন লাভ কৰিছিল। কিন্তু উক্ত স্থান অতি দ' হোৱা বাবে কলেজখন তাত স্থাপন নহ'ব বুলি নিশ্চিত কৰা হয়। ফলত উক্ত ১৫ বিঘা মাটিৰ বিনিময়ত কোনো লোকে ৰাস্তাৰ কাষৰ মাটি আগবঢ়ালে কলেজখন স্থাপন কৰিব পৰা হ'ব বুলি বিভাগীয়ভাৱে জনায়। এনে সন্ধিক্ষণত তদানীন্তন কেবিনেট মন্ত্ৰী প্ৰয়াত ডাঃ নজৰুল ইছলাম আৰু তদানীন্তন উপায়ুক্তৰ মধ্যস্থতাত বোৱালগুৰি গাঁৱত ৰাস্তাৰ কাষত একেলগে থকা আব্দুল মজিদ আৰু আব্দুল ছালামৰ এক বিঘা, আব্দুল আলীৰ এক বিঘা, নাজিপুল ইছলামৰ এক বিঘা, নিজামউদ্দিনৰ এক বিঘা, সুৰুয আলীৰ এক বিঘা আৰু আৰমোজ আলীৰ ৩ বিঘা মাটি লৈ সৰ্বমুঠ ৮ বিঘা ম্যাদী মাটিত কলেজখন স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই আঠ বিঘা মাটিৰ বিনিময়ত ভূমিৰ গৰাকীক মহমৰা বিলত কলেজখনৰ নামত আৱন্টন দিয়া ১৫ বিঘা দ' মাটি দিয়াৰ উপৰি কলেজখন আৰম্ভ হ'লে পৰিয়াল কেইটাৰ সতি-সন্ততিক এটাকৈ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদত নিযুক্তি দিয়াৰো আশ্বাস দিয়া হৈছিল। এনে আশ্বাসত আশ্বস্ত হৈ ভূমি দাতাসকলে ভূমি সলনি কৰিবলৈ সন্মতি প্ৰকাশ কৰে আৰু কলেজখনৰ নামত ভূমি লেখি দিয়ে। পৰৱৰ্তী কালত সেই আঠ বিঘা মাটিতে ২০১৩ চনৰ ৩ ডিচেম্বৰত তদানীন্তন কেবিনেট মন্ত্ৰী প্ৰয়াত ডাঃ নজৰুল ইছলামে কলেজখনৰ আধাৰশিলা স্থাপন কৰে। ইফালে, ২০১৫ চনত ১৩ কোটি চৰকাৰী ধনৰে ঠিকাদাৰে কলেজৰ বাউণ্ডেৰীসহ কলেজ গৃহটি নিৰ্মাণ কৰিছিল। কিন্তু কলেজ গৃহটি নিৰ্মাণতে যেন দায়িত্ব শেষ হ'ল চৰকাৰৰ। ইয়াৰ পাছত কংগ্ৰেছ চৰকাৰৰ পতন ঘটিল আৰু ১৩ কোটিটকীয়া কলেজ গৃহটি তেনেকৈয়ে পৰি আছে। বৰ্তমান পোহনীয়া গৰু-ছাগলীৰ গোহালি সদৃশ হৈ পৰাৰ লগতে চৌহদটো চৰণীয়া পথাৰত পৰিণত হৈ পৰিছে। ইফালে, কংগ্ৰেছ চৰকাৰে আৰম্ভ কৰা বাবেই বিজেপি চৰকাৰখনে মহিলা আই টি আই কলেজখন আৰম্ভ কৰাত তিলমাত্ৰও গুৰুত্ব নিদিয়া বুলিও আন এক অভিযোগ উত্থাপিত হৈছে। যাৰ বাবে ১৩ কোটিকৈ চৰকাৰী ধন শৰাধ কৰা বৃহৎ কলেজ গৃহটি বৰ্তমান গৰু-ছাগলীৰ বাসস্থানলৈ পৰ্যবসিত হৈছে। ইফালে, উল্লেখিত ভূমি দাতাসকলে কৰা অভিযোগ মতে, ৮ বিঘা ৰাস্তাৰ কাষৰ ম্যাদী মাটিৰ বিনিময়ত তেওঁলোকক মহমৰা বিলৰ ১৫ বিঘা দ' মাটি দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ উপৰি কলেজত চতুৰ্থ বৰ্গৰ চাকৰিৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেই প্ৰতিশ্ৰুতিও ৰক্ষা নকৰিলে। চাকৰিৰ কথা বাদেই আনকি ৮ বিঘা ৰাস্তাৰ কাষৰ মূল্যৱান ভূমিৰ সলনি মহমৰা বিলত ভূমি দাতাসকলক যি ১৫ বিঘা মাটি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতিও ৰক্ষা নকৰি ভূমি দাতাসকলক প্ৰৱঞ্চনা কৰা হ'ল। বৰ্তমান ভূমি দাতাসকলে ন্যায় বিচাৰি ইগৰাকীৰ পিছত সিগৰাকী উপায়ুক্তৰ ওচৰত আবেদন কৰে যদিও কোনোগৰাকী উপায়ুক্তই তেওঁলোকক ন্যায় প্ৰদান কৰিব পৰা নাই। এনে সন্ধিক্ষণত ভূমিদাতাসকলে কোনো ন্যায় নাপালে, পৰি থকা ১৩ কোটি টকীয়া আই টি আই কলেজত নিজৰ পৰিয়াল লৈ সোমোৱাৰ সিদ্ধান্ত লৈছে।

# সুদূৰ লণ্ডনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জয়ন্তী উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ অক্টোবৰঃ** অসমীয়া জাতীয় জীৱনৰ মহানায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাক জগতবাসীৰ সন্মুখত দাঙি ধৰাৰ প্ৰয়াসেৰে সাত সাগৰ তেৰ নদীৰ সিপাৰত থকি সুদূৰ লণ্ডনৰ কিংছ লেংলিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। অসম সাহিত্য সভাৰ ব্ৰিটেইন শাখাৰ উদ্যোগত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ এক অনুষ্ঠানত সভাপতিত্ব কৰে গীতা বৰুৱাই। সকলোকে আদৰণি জনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভা আৰু বিভিন্ন জাতি-ধৰ্মক একত্ৰিত কৰি এক ভগৱানক বিশ্বাস কৰিবলৈ, একশৰণ নামধৰ্ম পালন কৰিবলৈ তেওঁৰ সামৰ্থ্যৰ বিষয়ে চমুকৈ ভাষণ দিয়ে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকাৰ দ্বাৰা প্ৰেৰিত এক লিখিত ভাষণ পাঠ কৰা হয়। উপ-সভাপতি নীৰলা বৰুৱাই তেওঁৰ ভাষণত গুৰুজনাৰ সমাজ-ধৰ্ম-সংস্কাৰ, শিক্ষা, দাৰ্শনিক আৰু শৈক্ষিক দিশসমূহৰ বিষয়ে উল্লেখ কৰে। সম্পাদক জাহ্নৱী গগৈয়ে শংকৰ জয়ন্তী উদযাপনৰ মাজৰ সম্পৰ্ক আৰু ১৯৯৮ চনত সংস্থাটো প্ৰথম প্ৰতিষ্ঠা হোৱাৰ সময়ত অসম সাহিত্য সভা ইউ কে অধ্যায়ৰ বেনাৰত কেনেদৰে অনা হৈছিল সেই বিষয়ে বক্তব্য আগবঢ়ায়। প্ৰবাসী অসমীয়াসকলে তথা ব্ৰিটেইনত ডাঙৰ-দীঘল হোৱা দ্বিতীয় আৰু তৃতীয় প্ৰজন্মৰ শিশুসকলে নিজৰ শিপাৰ বিষয়ে যাতে এটা ধাৰণা ল'ব পাৰে আৰু পিতৃ-মাতৃ আৰু ককা-আইতাৰ চহকী সংস্কৃতিৰ বিষয়ে জানিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি গুৰুজনাক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে এই আয়োজন কৰা বুলি উল্লেখ কৰে। ব্ৰিটেইনৰ অসমীয়া সাংস্কৃতিক পঞ্জিকাত এই অনুষ্ঠানসমূহ জীয়াই ৰখাৰ সন্দৰ্ভত অনাগত দিনতো প্ৰচেষ্টা কৰিব বুলি কয়। শিল্পী তথা লেখিকা প্ৰাক্তন সভাপতি মঞ্জিৰা চৌধুৰীয়ে নাম প্ৰসংগৰ নেতৃত্ব দিয়াৰ লগতে গুৰুজনাৰ বহুমুখী অৱদান সন্দৰ্ভত আলোকপাত আৰু নতুন প্ৰজন্মৰ বাবে অনুবাদৰ জৰিয়তে পৰিচয় কৰাৰ পোষকতা কৰে। নাম প্ৰসংগত নাগৰা আৰু খোলত ঋষি চৌধুৰী আৰু ভোৰতাল ডঃ তৰুণ কুমাৰ চৌধুৰী, ভানুশ্ৰী মেধি খাঞ্জৰীয়ে পাতি তালত সহযোগ কৰে। আনহাতে, সন্ধিয়ালৈ এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়, য'ত গুৰুজনাৰ বিভিন্ন সৃষ্টিৰাজি প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে আন্তৰ্জাতিক খ্যাতিসম্পন্ন পদ্মশ্ৰী ইন্দিৰা পি পি বৰা আৰু তেওঁৰ কন্যা ডাঃ মেনকা পি পি বৰা উপস্থিত থাকে। পদ্মশ্ৰী ইন্দিৰা পি পি বৰাই শাস্ত্ৰীয় নৃত্যৰ মূল্যৰ বিষয়ে চমু ভাষণ প্ৰদান কৰে।

## ৰাসৰ কোনো এটা দিনত স্থানীয় বন্ধৰ ঘোষণা কৰাৰ আশ্বাস মন্ত্ৰীৰ

# মাজুলীৰ ৰাস মহোৎসৱৰ বৈঠকত বহিল অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু

**ই-সংবাদ, মাজুলী, ২৫অক্টোবৰঃ** ১৫ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'ব মাজুলীৰ শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ। এই ৰাস মহোৎসৱ উদযাপনক লৈ ব্যস্ত হৈ পৰিছে মাজুলীবাসী। মাজুলীৰ ৰাস মহোৎসৱ ভাগি সুচাৰুপে আৰু শান্তিপূৰ্ণভাবে অনুষ্ঠিত কৰাৰ বাবে মাজুলী জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। জিলা প্ৰশাসনে ইতিমধ্যে ৰাস সমিতিসমূহৰ লগত আলোচনাত মিলিত হৈছে। মাজুলী জিলা আয়ুক্ত ৰাতুল পাঠকে আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, জিলা প্ৰশাসনৰ অন্যান্য বিভাগসমূহৰ মুৰব্বী বিষয়া বৰ্গৰ উপস্থিতিত মাজুলীৰ সকলোবোৰ দল-সংগঠনৰ ৰাস সমিতিক শান্তিপূৰ্ণভাবে ৰাসমহোৎসৱ ভাগি সম্পন্ন হোৱাৰ ক্ষেত্ৰত সঁহাৰিৰ আহ্বান জনাইছিল। মাজুলীৰ ৰাস মহোৎসৱ ভাগি সুচাৰুপে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰেও বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। আজি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত মাজুলীৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মাজুলীৰ শ্ৰী শ্ৰী ৰাস মহোৎসৱ উদযাপন সম্পৰ্কত এক পৰ্যালোচনা বৈঠকত মিলিত হয়। মাজুলী জিলা আয়ুক্ত ৰাতুল পাঠক, আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, মাজুলীৰ বিধায়ক ভুবন গাম আৰু মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰ, শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘ, বংশী গোপাল নাট্য মন্দিৰ, মাজুলী মিলন সংঘ, সম্মিলিত শিল্পী সমাজ, ৰাস সমিতিৰ সভাপতি-সম্পাদকৰ লগত ৰাস উদযাপন সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। মাজুলীৰ বিধায়ক ভুবন গামে আধ্যাত্মিকতা বিজড়িত ৰাসলীলা সুন্দৰকৈ পৰিবেশন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। মাজুলীৰ ৰাস মঞ্চসমূহৰ হৈ সম্মিলিত শিল্পী সমাজৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে মাজুলীৰ ৰাসৰ সময়ছোৱাত এটা দিন স্থানীয় বন্ধ দিয়াৰ কথা মন্ত্ৰীগৰাকীৰ সন্মুখত সভাত অৱগত কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস হৈ ফেৰী সেৱা বন্ধ হৈ থকা কমলাবাৰী-নিমাতী সংযোগী ফেৰী ঘাটটোৰে পুনৰ ফেৰী সেৱা সুচল কৰি যাত্ৰীৰ সুবিধাৰ প্ৰতি গুৰুত্ব দিবলৈ সভাত মন্ত্ৰীগৰাকীক আহ্বান জনায়। লগতে বুঢ়াভকতে ৰাজ্য চৰকাৰে ৰাস সমিতিসমূহলৈ ৰাস উদযাপনৰ বাবে যি আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে এই সাহায্যৰ পৰিমাণ এইবাৰ বৃদ্ধি কৰিবলৈ অভিভাৱক মন্ত্ৰীগৰাকীক আহ্বান জনায়। ৰাস অনুষ্ঠিত কৰা সমিতিসমূহে অনুমতি ৰেজিষ্টেচনৰ নামত চৰকাৰক দিয়া বৰঙণিৰ পৰিমাণ উঠাই লোৱাৰ ক্ষেত্ৰত বিবেচনা কৰিবলৈ আহ্বান জনায়।মন্ত্ৰী ৰণোজ পেগুৱে সকলোবোৰ কথা চৰকাৰৰ লগত আলোচনা কৰিব বুলি আশ্বাস প্ৰদান কৰে। ইয়াৰ পাছতেই মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয় যে মাজুলীৰ ৰাসৰ এক ঐতিহ্য আছে। এই ঐতিহ্যপূৰ্ণ ৰাস মহোৎসৱ সুচাৰুপে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আমি গুৰুত্ব দিছো। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে মাজুলী সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। ইয়াত প্ৰায় ৬৫টা মঞ্চত ৰাস হ'ব। সুকলমে যাতে এই ৰাস অনুষ্ঠান অনুষ্ঠিত হয় তাৰ বাবে আমি জিলা প্ৰশাসনৰ লগত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰো বুলি উল্লেখ কৰে। কমলাবাৰী পাৰঘাট বন্ধ হৈ থকা সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে কয় যে ব্ৰহ্মপুত্ৰ খনন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মোৰ ফালৰ পৰাও ব্যৱস্থা কৰা হ'ব, যাতে ৰাসৰ কেইদিন কোনো অসুবিধা নোহোৱাকৈ ফেৰী চলিব পাৰে। বন্ধ হৈ থকা ৰ'পেক্স পুনৰ চলোৱাৰ ব্যৱস্থা কৰা। মাজুলীৰ ৰাসৰ কেইদিনৰ ভিতৰত এটা দিন স্থানীয় বন্ধ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জনোৱাৰ লগতে এই ক্ষেত্ৰত আয়ুক্তক তেওঁ জনোৱা বুলি কয়। মাজুলীৰ তিনিখন শ্ৰেষ্ঠ ৰাস মঞ্চ নিৰ্বাচন কৰি প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানেৰে প্ৰশাসনে পুৰষ্কৃত কৰিব বুলি সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মাজুলীৰ যোৰহাট সংযোগী দলং সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে কয়- দলং সম্পৰ্কত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰিছে আৰু ইতিমধ্যে এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠক হৈ গৈছে।

## বিলাসীপাৰা আই এন এ খেল পথাৰত ৬৫ সংখ্যক ৰাস মহোসৎৱৰ লাইখুঁটি স্থাপন

**ই-সংবাদ, বিলাসীপাৰা, ২৫ অক্টোবৰঃ** অইন অইন বছৰৰ দৰে এইবেলিও বিলাসীপাৰাত শ্ৰী শ্ৰী ৰাস মহোৎসৱৰ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। আজি বিলাসীপাৰা সমজিলাৰ অন্তৰ্গত বিলাসীপাৰা ৰাস মহোৎসৱৰ লাইখুঁটি স্থাপন কৰা হয়। অসম মাৰ্কেটিং ব'ৰ্ডৰ চেয়াৰমেন তথা বিলাসীপাৰা পূব সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ৰাস মহোৎসৱ উদযাপন সমিতিৰ সভাপতি অশোক কুমাৰ সিংহীয়ে লাইখুঁটি স্থাপন কৰে। উদ্বোধনী অনুষ্ঠানটোত উপস্থিত থাকে ৰাস মহোৎসৱ উদযাপন সমিতিৰ সম্পাদক অশোক দাস, বিলাসীপাৰা পৌৰ নিগমৰ পৌৰপতি বিনীতা দাস সাহা, উপ-পৌৰপতি চন্দন দাসৰ লগতে ৰাস মহোৎসৱ উদযাপন সমিতিৰ সদস্য বৃন্দ।

## হাজোত মূল্যৱান গছ কাটি তহিলং, থানাত আছু

**ই-সংবাদ, হাজো, ২৪ অক্টোবৰঃ** গছ থাকিলেহে মানুহ থাকিব। এই কথাষাৰি এতিয়াও উপলব্ধি কৰিব পৰা নাই একাংশই। হাজোত এফালৰ পৰা গছ কাটি তহিলং কৰা হৈছে। অভিযোগ অনুসৰি হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ একাংশই সভাপতিৰ অজ্ঞাতে ১৭ ডাল বৃহৎ আকাৰৰ গছ কাটি ইতিমধ্যে বিক্ৰী কৰাৰ অভিযোগ উঠিছে। বিক্ৰী হোৱা গছ কেইডালৰ মূল্য মাত্ৰ ১০ হাজাৰ টকা। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ জৰিয়তে হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰায় ৮কোটি ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ভৱনৰ অচিলা লৈ বন ধ্বংস যজ্ঞ চলাইছে বিদ্যালয় পৰিচালনা সমিতিৰ দুই এজন বিষয়ববীয়াই। ইতিমধ্যে পুৰণি ঘৰসমূহ নিলাম প্ৰক্ৰিয়াৰে ৰাজহুৱাভাৱে বিক্ৰী কৰা হৈছে যদিও এইবাৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ অজ্ঞাতে পৰিচালানা সমিতিৰ দুই তিনিজন ব্যক্তিয়ে কেইবাডালো মূল্যৱান গছসহ ১৭ডাল গছ মাত্ৰ ১০হাজাৰ টকাত বিক্ৰী কৰাত নিজ স্বাৰ্থ জড়িত থকাৰ সন্দেহ প্ৰকাশ স্থানীয় ৰাইজে। নতুন ভৱনটি নিৰ্মাণ হ'বলগীয়া স্থানত থকা মাত্ৰ দুই, তিনিডাল গছ কটাৰ প্ৰয়োজনীতা আছিল যদিও ১৭ ডাল গছ কটাক লৈ জাঙোৰ খাই উঠিছে স্থানীয় সচেতন ৰাইজকে ধৰি হাজো আঞ্চলিক ছাত্ৰ সন্থা। ইফালে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষগৰাকীয়ে গছসমূহ কটাত বাধা দিয়ে যদিও কোনো লোকে গছসমূহ বিনা দ্বিধাই কাটি নিয়াৰ অভিযোগ আনে। এই সমগ্ৰ বিষয়টো হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ দৃষ্টিগোচৰ হোৱাত আজি হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ দেউৰীয়া আৰু সম্পাদক আতিকুৰ ৰহমান স্বাক্ষৰিত এখন এজাহাৰ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৰজ্যোতি দাসৰ উপস্থিতিত হাজো থানাত দাখিল কৰি এই ঘটনাৰ উচিত তদন্তৰ দাবীৰে দোষীক শাস্তি দিয়াৰ দাবী জনায়।

# লাগে মাটি, ভেটিৰ নিৰাপত্তা! মাজুলীত যোগী সন্মিলনীৰ ৭ঘণ্টীয়া অনশন

**ই-সংবাদ, মাজুলী, ২৫ অক্টোবৰঃ** অসম প্ৰাদেশিক যোগী সন্মলিনীৰ নিৰ্দেশ মৰ্মে সমগ্ৰ ৰাজ্যৰ লগতে মাজুলী জিলাত মাজুলী জিলা যোগী সন্মিলনী উদ্যোগত, মাজুলী জিলা মহিলা আৰু যুৱ সন্মিলনীৰ সহযোগত আজি পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈকে পালন কৰা হয় ৭ ঘণ্টীয়া প্ৰতীকি অনশন কাৰ্যসূচী। অসমীয়া ভাষা, সাহিত্য, অসমৰ অৰ্থনৈতিক বিকাশ, অসমৰ সংস্কৃতি, অসমৰ সামাজিক আৰু ৰাজনৈতিক, আধ্যাত্মিক পৰিমণ্ডল আৰু খিলঞ্জীয়া ভূমিপুত্ৰ নাথযোগীসকলৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক ভৱিষ্যত, মাটি আৰু ভেটিৰ নিৰাপত্তাৰ বাবে মাজুলী জিলা সদৰ গড়মূৰ তিনিআলিত পালন কৰা এই প্ৰতীকি অনশন কাৰ্যসূচীত জিলাখনৰ পাঁচ শতাধিক অনশনকাৰীয়ে অংশগ্ৰহণ কৰে। আজিৰ এই ৭ ঘণ্টীয়া প্ৰতীকি অনশনৰ মুখ্য আৰু ৰাজনৈতিক দাবীসমূহৰ ভিতৰত অসমৰ সৰ্বত্ৰে সিঁচৰতি হৈ বাস কৰি অহা খিলঞ্জীয়া নাথ যোগীসকলৰ সৰ্বাংগীন বিকাশ, উন্নয়ন আৰু ভৱিষ্যত নিৰাপত্তাৰ বাবে নাথ যোগী স্বয়িত্বশাসিতপৰিষদ (উপগ্ৰহীয় ) পদ্ধতিৰে গঠন কৰা, খিলঞ্জীয়া নাথ যোগীসকলক সংৰক্ষিত শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি অসম চৰকাৰে কৰা অধিসুচনাখন অসম বিধানসভাত অধ্যাদেশ হিচাপে অনুমোদন জনাই তাক আইনলৈ ৰূপান্তৰ কৰি অসমক অন্যতম ভূমিপুত্ৰ নাথ যোগীসকলক সংবিধিনক ৰক্ষা কৱচ প্ৰদান কৰা, অসমৰ প্ৰতিখন স্বায়ত্তশাসিত পৰিষদৰ অসম চৰকাৰৰ ফালৰ পৰা কম পক্ষও এজনকৈ মনোনীত সদস্য নিযুক্তি দিয়া, অসম চৰকাৰৰ অধীনস্থ নিকায়, নিগম আদি প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষৰ পদত নাথ যোগীসকলৰ উপযুক্ত ব্যক্তিক নিযুক্তি দিয়াৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ দাবী গুৱাহাটীৰ লখৰাত থকা প্ৰাদেশিক যোগী সন্মিলনীৰ অধনিৰ্মিত বিভাদেৰী ভৱন নিৰ্মাণ সম্পূৰ্ণ কৰা, ৰূপনগৰাত থকা মুখ্য কাৰ্যলয় ভৱন আৰু অতিথিশালা সম্পূৰ্ণ কৰি তোলা, অসমৰ চিকিৎসালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়ত, বিশ্ববিদ্যালয় আদিত যোগী ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণ কৰা, প্ৰতি মাহৰ ব'হাগ মাহৰ বৈশাখি পূৰ্ণিমাৰ দিনটো নাথ যোগীসকলৰ শ্ৰী শ্ৰী গুৰু গোৰক্ষনাথ আৱিৰ্ভাৱ তিথিত চৰকাৰী বন্ধৰ ঘোষণা কৰা, প্ৰতিখন জিলাত নাথ যোগীৰ সাংস্কৃতিক প্ৰকল্প স্থাপন কৰা, ৪২ ৰ ভাৰত ত্যাগ আন্দোলনত শ্বহীদ হোৱা শ্বহীদসকলৰ বিষয়ে পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰা আদি মুঠ ১৭ টা দাবী সম্বলিত স্মাৰক পত্ৰ মাজুলী জিলা আয়ুক্তৰ যোগে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। আজিৰ অনুষ্ঠানত মাজুলী জিলাৰ সভাপতি গুণকান্ত ভুঞা, সম্পাদক নগেন নাথ, প্ৰাদেশিক যোগী সন্মলিনীৰ কাৰ্যকৰী সভাপতি অমূল্য নাথ, প্ৰাক্তন সভাপতি তথা উপদেষ্টা আনন্দ নাথ, ৰামসাগৰ নাথ, ঘনাকান্ত নাথ, আনন্দ নাথ, নৱ নাথ, জিলাৰ মহিলা সন্মিলনী, যুৱ সন্মিলনীৰ বিষববীয়া উপস্থিত থাকে। অনুষ্ঠানত মাজুলী জিলা অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনীৰ সভাপতি আনন্দ নাথ আৰু সাধাৰণ সম্পাফক জীৱন বৰুৱাই অংশগ্ৰহণ কৰি নৈতিক সমৰ্থন আগবঢ়ায় আৰু সন্মিলনীৰ বিষয়ববীয়া তথা সদস্যসকলে অংশগ্ৰহণ কৰে।

## দ্বিতীয় দিনাও উত্তাল বৰহোলা মহাবিদ্যালয়, অধ্যক্ষাক ঘেৰাও

# ক'ত জমা হয় নীতি বৰ্হিভূত ভাৱে শিক্ষাৰ্থীৰ পৰা সংগ্ৰহ কৰা ধন?

**ই-সংবাদ, তিতাবৰ, ২৫ অক্টোবৰঃ** বৰহোলা মহাবিদ্যালয়ত ছাত্ৰৰ প্ৰতিবাদে দ্বিতীয় দিনত ভৰি দিছে। যান্মাসিক পৰীক্ষাৰ বাবে অতিৰিক্ত ধন সংগ্ৰহৰ কৰাক কেন্দ্ৰ কৰি ছাত্ৰ বিদ্ৰোহ অব্যাহত থকা মহাবিদ্যালয়খনত কালি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা ছাত্ৰ-ছাত্ৰীসকলে অধ্যক্ষাক ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত পাছত আজিও একে পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে যান্মাসিক পৰীক্ষাৰ প্ৰেক্টিকেল থকা এজন ছাত্ৰৰ পৰা সৰ্বাধিক ৫০০ টকা সংগ্ৰহ কৰিব পাৰে যদিও বৰহোলা মহাবিদ্যালয়ত প্ৰতিটো প্ৰেক্টিকেল বিষয়ৰ বাবদ ধন সংগ্ৰহ কৰি আহিছিল। ইফালে, মহাবিদ্যালয়খনৰ দক্ষতা বিকাশ বিষয়ত ছাত্ৰ-ছাত্ৰীৰ পৰা নীতিবৰ্হিভূতভাৱে দীৰ্ঘদিন ধৰি সংগ্ৰহ কৰি অহা ধন সন্দৰ্ভত জাঙুৰ খাই উঠে ছাত্ৰ-ছাত্ৰীসকল। কালি অধ্যক্ষাক ঘেৰাও কৰি ছাত্ৰ-ছাত্ৰীসকলে প্ৰেক্টিকেল বিষয়ত সংগ্ৰহ কৰা নীতি বৰ্হিভুত ধনৰ বিৰুদ্ধাচৰণ কৰি মহাবিদ্যালয়খন উত্তাল কৰি তোলে। আজিও বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অধ্যক্ষাৰ কোঠাত উপস্থিত হৈ দীৰ্ঘদিন ধৰি আদায় দি অহা দক্ষতা বিকাশ বিষয়ত মাচুল সন্দৰ্ভত জবাবদিহি কৰে। অধ্যক্ষা বৰ্ণালী কলিতাই এই সন্দৰ্ভত বিভাগীয় শিক্ষকসকলৰ লগত আলোচনা কৰি বিষয়টো সমাধান কৰিব বুলি ছাত্ৰ-ছাত্ৰীসকলক বুজনি দি ওভতাই পঠায়। বিয়লি এই সন্দৰ্ভত ভাৰপ্ৰাপ্ত অধ্যক্ষা বৰ্ণালী কলিতাই শিক্ষকসকলৰ এক সভা অনুষ্ঠিত কৰিছিল যদিও শিক্ষকসকলে সভা বৰ্জন কৰে। পূৰ্বতে শিক্ষকসকলৰ মতামত নোলোৱাকৈ সংগ্ৰহ কৰা ধনৰ সন্দৰ্ভত শিক্ষকসকলে কোনো দায়িত্ব নলয় বুলি স্পষ্ট কৰি সভা বৰ্জন কৰাৰ পাছত বিষয়টো অধিক স্পৰ্শকাতৰ হৈ পৰিছে। ছাত্ৰ একতা সভাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে বিষয়টো বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰি জৰুৰী হস্তক্ষেপ কামনা কৰিছে। অন্যহাতে, দীৰ্ঘদিনৰ পৰা এনেদৰে বিশ্ববিদ্যালয়ৰ নীতি উলংঘা কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰি অহা ধন ক'ত মহাবিদ্যালয় কৰ্তৃপক্ষই জমা ৰাখিছে সেই সম্পৰ্কে মহাবিদ্যালয়ৰ ভিতৰে বাহিৰে চৰ্চা চলিছে। ইফালে,




মহাবিদ্যালয়খনৰ বিতৰ্কিত কেইটামান বিষয় সন্দৰ্ভত এজন লোকে তথ্য জনা অধিকাৰ আইন অনুসৰি কৰা আবেদনৰ উত্তৰত মহাবিদ্যালয়খনৰ ১৫ গৰাকী প্ৰবক্তাসহ বৰহোলাৰ ২১গৰাকী লোকক জগৰীয়া কৰা বিষয়ত ক্ষুণ্ণ প্ৰবক্তাসকলে আজি বিয়লি অধ্যক্ষাগৰাকীক ঘেৰাও কৰি ইয়াৰ বাবে জবাবদিহি কৰে। সম্পূৰ্ণ মিছা কথাৰে অধ্যক্ষা বৰ্ণালী কলিতাই প্ৰবক্তাসকলক জড়িত কৰা বিষয়ত নিজৰ ভুল স্বীকাৰ কৰিলেও কেইবাগৰাকী ক্ষুব্ধ প্ৰবক্তাই ইয়াৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰিব বুলি সদৰী কৰিছে। মহাবিদ্যালয়খনৰ এনে বিতৰ্কই বৌদ্ধিক মহলক চিন্তিত কৰি তুলিছে।

# তিতাবৰৰ প্ৰাক্তন পৌৰপতিৰ বিৰুদ্ধে এজাহাৰ, জাৱৰ নিষ্কাষণৰ নামত বৃহৎ ধন আত্মসাৎ

**ই-সংবাদ, তিতাবৰ, ২৫ অক্টোবৰঃ** এইবাৰ বিত্তীয় অনিয়মৰ বিতৰ্কত সোমাই পৰিছে তিতাবৰৰ প্ৰাক্তন পৌৰপতি ৰূপা দত্ত শইকীয়া। শেষতীয়াকৈ প্ৰাক্তন পৌৰপতি ৰূপা দত্ত শইকীয়াৰ বিৰুদ্ধে তিতাবৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাহুল গগৈয়ে। প্ৰাক্তন পৌৰপতিগৰাকীয়ে জাৱৰ নিষ্কাষণৰ নামত ৪,৯৮,৭৫০ টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ তুলি এজাহাৰ দাখিল কৰে ৰাহুল গগৈয়ে। ভাৰপ্ৰাপ্ত সভাপতিগৰাকীয়ে এজাহাৰত স্পষ্টকৈ উল্লেখ কৰে যে ৭/১১/২০২২ তাৰিখে নিবিদা জাননী নং TMB/NIT/159/5th FC/2019-2020/17104 Dated 7/11/2022 অনুসৰি ১০,৫৬,১০০ টকাৰ তিতাবৰ এলেকাৰ জাৱৰ নিষ্কাষণৰ বাবে নিবিদা পৌৰসভাই জাৰি কৰিছিল। উক্ত নিবিদাৰ কাম TMB/159/5th FC/2019-2020/394 Dated 11/4/2024 ফেমৰ্বক অৰ্ডাৰ মতে, ৰিজ'লিন টেকন'লজীক নামৰ প্ৰতিষ্ঠানটোক দিয়া হৈছিল। কিন্তু ৱৰ্ক অৰ্ডাৰত উল্লেখিত কোনো কাম নকৰাকৈ ৰূপা দত্ত শইকীয়াই ৪,৯৮,৭৫০ টকা উক্ত ৰিজ'লিন টেকন'লজীক মোকলাই দি সমুদায় ধন ৰিজ'লিন টেকন'লজীৰ সহযোগত ৰূপা দত্ত শইকীয়াই আত্মসাৎ কৰে বুলি তথ্য জনাৰ অধিকাৰ আইন ২০০৫ৰ জৰিয়তে অৱগত হয়। সেয়ে এই সন্দৰ্ভত এক গোচৰ ৰুজু কৰি বিহিত ব্যৱস্থা ল'বলৈ প্ৰশাখনক তেওঁ আহ্বান জনায়। তিতাবৰ আৰক্ষীয়ে গোচৰটো ইতিমধ্যেই পঞ্জীয়ন কৰা বুলি জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত মন্ত্ৰী যোগেন মহনৰ উপস্থিতিত মিছন বসুন্ধৰা ৩.০ৰ কৰ্মশালা

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ অক্টোবৰঃ** অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা আৰু পাহাৰীয়া অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহন, অসম চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত মিছন বসুন্ধৰা ৩.০ ৰ ওপৰত সামৰ্থ বৃদ্ধিৰ মাণ্ডলিক পৰ্যায়ৰ এখনি কৰ্মশালা ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত সভাত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব জ্ঞানেন্দ্ৰ দেৱ ত্ৰিপাঠি, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সচিব ড০ অনন্ত লাল জ্ঞানী, সচিব গীতাঞ্জলি ভট্টাচাৰ্য, ভূমি ৰেকৰ্ড আৰু জৰীপ আদিৰ সহকাৰী সঞ্চালক নৰজিৎ পাঠক, ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী প্ৰমুখ্যে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লক্ষীমপুৰ, ধেমাজি, শিৱসাগৰ, যোৰহাট, গোলাঘাট, চৰাইদেউ আৰু মাজুলী জিলাৰ ৰাজহ বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে ৰাজহ চক্ৰ বিষয়াসকলো উপস্থিত থাকে। মন্ত্ৰী যোগেন মোহনে উপস্থিত বিষয়াসকলক উদ্দেশ্যি কয় যে, মিছন বসুন্ধৰাৰ প্ৰথম আৰু দ্বিতীয় সংস্কৰণৰ সফলতাৰ পাছত ২০ অক্টোবৰত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰা মিছন বসুন্ধৰা ৩.০ জনসাধাৰণৰ বাবে যথেষ্ঠ ফলপ্ৰসূ পৰিগণিত হ'ব। আনহাতে, পূৰ্বৰ দৰেই ৰাইজে মিছন বসুন্ধৰা ৩.০ ৰ জৰিয়তে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ নিজৰ ভূমি সংক্ৰান্তিয় সকলো কাম-কাজ সহজতেই সম্পন্ন কৰিব পাৰিব বুলিও তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত জিলা প্ৰশাসনৰ লগতে প্ৰতিটো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকলক মিছন বসুন্ধৰা ৩.০ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈও মন্ত্ৰী যোগেন মহনে আহ্বান জনায়। কাৰ্যসূচীত 'মিছন বসুন্ধৰা ৩.০'ৰ অন্তৰ্গত বিভিন্ন সেৱাৰ বিষয়ে পাৱাৰ পইন্ট প্ৰেজেণ্টেচনৰ জৰিয়তে বিতংভাৱে আলোচনা কৰাৰ লগতে ৰাজহ চক্ৰ বিষয়াসকলক ক্ষেত্ৰ পৰ্যায়ত গৈ সেৱা আগবঢ়াবলৈ আহ্বান জনোৱা হয়। যাতে সৰ্বাধিক লোকে এই জনকল্যাণকামী কাৰ্যসূচীৰ দ্বাৰা লাভান্বিত হ'ব পাৰে। সভাত উজনি অসমৰ নখন জিলাৰ ভূমি প্ৰশাসনৰ অমীমাংসিত বিষয়ৰ ওপৰত আলোচনা কৰাৰ লগতে বিভিন্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান যেনে অইল এণ্ড নেচাৰেল গেছ কৰ্পোৰেচন লিমিটেড, ক'ল ইণ্ডিয়া, ভাৰতীয় তেল নিগম আদিৰ সৈতে জড়িত ভূমি সমস্যা, অন্যান্য কেন্দ্ৰীয় খণ্ড আৰু ৰাজ্যিক খণ্ডৰ ভূমি অধিগ্ৰহণৰ সমস্যা তথা ৰাষ্ট্ৰীয় ঘাইপথ, ৰিং ৰোড আৰু অসম মালাৰ লগত জড়িত ভূমি অধিগ্ৰহণ সম্পৰ্কীয় বিষয়ৰ ওপৰতো বিতংভাৱে আলোচনা কৰা হয়।



# শদিয়াত ভয়ংকৰ পথ দুৰ্ঘটনা, দুজন যুৱক নিহত

**ই-সংবাদ, ডুমডুমা, ২৫ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ অন্তৰ্গত আঠমাইল(ন-শদিয়া আৰক্ষী চকীৰ অন্তৰ্গত)ৰ ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বৃহস্পতিবাৰে সন্ধিয়া সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। উক্ত দুৰ্ঘটনাত এজন যুৱক ঘটনাস্থলীতে নিহত হোৱাৰ বিপৰীতে আন এজন যুৱক চিকিৎসালয়লৈ নিয়াৰ পথতেই মৃত্যুক সাবটি লয়। প্ৰাপ্ত খবৰ অনুসৰি, শদিয়াৰ সদৰ চপাখোৱা দিশৰ পৰা ধলা(ছেঁখোৱাঘাট) অভিমুখে আহি থকা এখন স্কুটীয়ে পথত ৰখাই থোৱা এখন চাৰিচকীয়া বাহনত খুন্দা মৰাৰ ফলত স্কুটীখন ভাঙি চুৰমাৰ হোৱা লগতে স্কুটীখনৰ আৰোহীসহ দুজন যুৱক ক্ৰমে শদিয়া সদৰ আৰক্ষী থানাৰ অন্তৰ্গত চপাখোৱা কবৰস্থানপট্টীৰ বিজু শ্বাহৰ পুত্ৰ অভিষেক শ্বাহ(১৮) আৰু সুৰেন্দ্ৰ সিঙৰ পুত্ৰ বিষ্ণু সিং(১৮) গুৰুতৰভাৱে আহত হয়। ইয়াৰে এজন যুৱক ঘটনাস্থলীতে নিহত হোৱাৰ লগতে আনজনে চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যুক আঁকোৱালি লয়।

# আমগুৰি ৰাজহ চক্ৰ হস্তান্তকৰণৰ বিৰোধিতাৰে ব্যাপক গণ স্বাক্ষৰ অভিযান

**ই-সংবাদ, আমগুৰি, ২৫ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ চামগুৰি তিনিআলিত আজি চামগুৰিবাসী ৰাইজ আৰু দল-সংগঠনে ঐক্যবদ্ধ হৈ আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয় হস্তান্তকৰণৰ বিৰোধীতাৰে গণ স্বাক্ষৰ কাৰ্যসূচী গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, শিৱসাগৰ জিলা উপায়ুক্তলৈ বৃহত্তৰ আমগুৰিবাসী ৰাইজ আৰু দল-সংগঠনে ঐক্যবদ্ধ হৈ ৰাজহ চক্ৰ কাৰ্যলয় হস্তান্তকৰণৰ সিদ্ধান্ত বাতিল কৰিবলৈ আহ্বান জনাই স্মাৰক পত্ৰ প্ৰদান কৰাৰ লক্ষ্যৰে গণ স্বাক্ষৰ অভিযান আৰম্ভ কৰে। চামগুৰি অঞ্চলৰ দুই শতাধিক লোক উপস্থিত হৈ প্ৰতিবাদী সভা অনুষ্ঠিত কৰি আমগুৰি ৰাজহ চক্ৰ কাৰ্যলয় হস্তান্তৰকৰণৰ বিৰোধিতা কৰে। গণ স্বাক্ষৰ অভিযান আৰু প্ৰতিবাদী সভাত চামগুৰিবাসী জ্যেষ্ঠ নাগৰিকৰ হৈ ঈশ্বৰ নাৰায়ণ ফুকন, জীৱন গগৈ, মুহিবুল হুছেইন, দিগন্ত গগৈ, বুদ্ধেশ্বৰ শেনচুৱা দল-সংগঠনৰ হৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকা, চামগুৰি যুৱ সমাজৰ হৈ তাজউদ্দিন হাজৰিকা, হাফিজুদ্দিন আহমেদ, মুজ্জামিল আলী, আবিদুল হক, প্ৰাঞ্জল গগৈ, চুভান আলী ৰাইজৰ দলৰ জিলা সাধাৰণ সম্পাদক মুজিদ আলীয়ে বক্তব্য প্ৰদান কৰি কাৰ্যলয়টো হস্তান্তৰকৰণৰ বিৰোধীতা কৰি অহা ২৮ অক্টোবৰ, সোমবাৰে দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব লগা প্ৰতিবাদী সভালৈ দল-সংগঠন নিৰ্বিশেষে ঐক্যবদ্ধ হৈ ৰাইজক ৰাজহুৱা স্বাৰ্থত উপস্থিত হ'বলৈ আহ্বান জনায়।

# মাতৃভাষা প্ৰয়োগৰ আহ্বান, মুখ্যমন্ত্ৰীলৈ স্মাৰক শতদল সাহিত্য সভাৰ

**ই-সংবাদ, ৰঙিয়া, ২৫ অক্টোবৰঃ** ৰঙিয়া নগৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানকে ধৰি বিভিন্ন ক্ষেত্ৰত মাতৃভাষা প্ৰয়োগৰ আহ্বান জনাই আজি পৌৰপতিৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে ৰণদিয়া শতদল সাহিত্য সভাই। সংগঠনটোৰ সভাপতি জয়ন্তজিৎ কলিতা আৰু সম্পাদক উজ্জ্বল ডেকাৰ নেতৃত্বত যোৱা সঁজাতি দলটোৱে পৌৰসভা কাৰ্যালয়ত উপস্থিত হৈ পৌৰপতি অমৰেন্দ্ৰ লহকৰক সাক্ষাৎ কৰে। সাক্ষাৎকালত শীঘ্ৰে ৰঙিয়া নগৰত মাতৃভাষা প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে সংগঠনটোৰ কৰ্মকৰ্তাসকলে। আলোচনা কালত পৌৰপতিগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। আনহাতে, সাক্ষাৎকালৰ অন্তত পৌৰপতিগৰাকীৰ হাতত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ বুলি প্ৰেৰণ কৰা স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰ প্ৰদান কাৰ্যসূচীত সংগঠনটোৰ হৈ উপ-সভাপতি মুকুল ভূঞাৰ লগতে সঞ্জয় কলিতা, মামনি লহকৰ আৰু মনালিছা গোস্বামী প্ৰমুখ্যে কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

# প্ৰাপ্য অধিকাৰৰ দাবীত তামুলপুৰত নাথ-যোগী সন্মিলনীৰ প্ৰতীকি অনশন কাৰ্যসূচী

**ই-সংবাদ, তামুলপুৰ, ২৫অক্টোবৰঃ** অসম প্ৰাদেশিক যোগী সন্মিলনীৰ আহ্বানত, তামুলপুৰ জিলা যোগী সন্মিলনী, মহিলা সন্মিলনী আৰু নাথযোগী যুৱ পৰিষদৰ সহযোগত আজি পুৱা ৯ বজাৰ পৰা চাৰিবজালৈকে অনশন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দুই শতাধিক নাথ যোগী সন্মিলনী আৰু ভাতৃ-ভগ্নী সংগঠনৰ সহযোগত তামুলপুৰ উন্নয়ন খণ্ডৰ কাৰ্যলয়ৰ সন্মুখত এই প্ৰতীকি অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। অনশনকাৰীসকলে হাতে হাতে বেনাৰ, প্লেকাৰ্ড আদি লৈ অসমৰ সৰ্বত্ৰতে সিঁচৰতি হৈ বসবাস কৰি অহা খিলঞ্জীয়া নাথযোগী কলৰ সৰ্বাংগীন বিকাশ, উন্নয়ন আৰু ভৱিষ্যত নিৰাপত্তাৰ বাবে নাথযোগী স্বায়ত্তশাসিত পৰিষদ (উপগ্ৰহীয়) গঠন কৰা, ১৯৯৮ চনৰ ১৯ ছেপ্টেম্বৰ তাৰিখে অসমৰ খিলঞ্জীয়া নাথ যোগীসকলক সংৰক্ষিত শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি অসম চৰকাৰে জাৰি কৰা অধিসূচনাখন অসম বিধানসভাত অধ্যাদেশ হিচাপে অনুমোদন জনাই তাক আইনলৈ ৰূপান্তৰিত কৰি অসমৰ অন্যতম ভূমিপুত্ৰ নাথ যোগীসকলক সাংবিধানিক সুৰক্ষা কৱচ প্ৰদান কৰা, অসমৰ প্ৰতিখন স্বায়ত্তশাসিত পৰিষদত অসম চৰকাৰৰ ফালৰ পৰা কমপক্ষেও এজনকৈ নাথ যোগী মনোনীত সদস্য অন্তৰ্ভুক্ত কৰা, অসম চৰকাৰৰ অধীনস্থ নিকায়, নিগম আদি প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষৰ পদত নাথ যোগীসকলৰো উপযুক্ত ব্যক্তিক নিযুক্তি প্ৰদান কৰাকে ধৰি গুৱাহাটীৰ লখৰাত সন্মিলনীৰ নিজা মাটিত অৰ্ধনমিত অৱস্থাত থকা অসম প্ৰাদেশিক যোগী সন্মিলনীৰ মুখ্য কাৰ্যলয় বিভাদেৱী ভৱনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তোলাৰ লগতে গুৱাহাটীৰ ৰূপনগৰত অৱস্থিত গুৱাহাটী মহানগৰ যোগী সন্মিলনীৰ অৰ্ধনিৰ্মিত মুখ্য কাৰ্যালয় ভৱন আৰু অতিথি গৃহটিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তোলা, অসমৰ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত নাথ যোগী ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে বহুকেইটা দাবী উত্থাপন কৰে।

# স্মাৰ্ট মিটাৰ বাতিল, নাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী প্ৰগতিশীল নাৰী সন্থাৰ

**ই-সংবাদ, বেবেজীয়া, ২৫ অক্টোবৰঃ** নগাঁও জিলাৰ উদমাৰী বিলপাৰত শুকুৰবাৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ কঠিয়াতলি ব্লক সমিতিৰ প্ৰথম ব্লক সন্মিলনখনি অনুষ্ঠিত হয়। সেই অনুসৰি পুনেশ্বৰী দেৱী আৰু চুফিয়া বেগমৰ পৰিচালনাত অনুষ্ঠিত হোৱা মুকলি সভাত অংশগ্ৰহণ কৰি সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ অবিভক্ত নগাঁও জিলাৰ সভাপতি ইছৰ আলীয়ে কয় যে আজি সমগ্ৰ দেশৰ লগতে অসমত নাৰী সমাজে নিজৰ সন্মান অধিকাৰ আৰু নাৰীৰ ওপৰত হোৱা হিংসাৰ বিৰুদ্ধে যি ধৰণে সংগ্ৰাম কৰিছে একে ধৰণে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে দেশৰ গণতন্ত্ৰ আৰু সংবিধান সুৰক্ষাৰ হকে তথা সাধাৰণ ৰাইজৰ জীৱন, জীৱিকাৰ লগতে জীয়াই থকাৰ সংগ্ৰামৰ হকে দৈনন্দিন ৰাজপথত সংগ্ৰাম অব্যাহত ৰাখিছে। সভাত প্ৰগতিশীল নাৰী সন্থাৰ নেতৃ আয়েফা বেগমে বক্তব্য প্ৰদান কৰি কয় যে সন্থাই ইতিমধ্যে 'কথা দি কথা ৰাখক, আমাৰ প্ৰাপ্য আদায় দিয়ক', স্মাৰ্ট মিটাৰ জাপি দিয়া বন্ধ কৰা আৰু মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত নাৰী সমাজক সজাগ, সংগঠিত আৰু শক্তিশালী কৰাৰ লক্ষ্যত ব্লক আৰু পঞ্চায়তত যোৱা ছেপ্টেম্বৰ মাহৰ পৰা সন্মিলন অনুষ্ঠিত কৰি আহিছে। নেত্ৰীগৰাকীয়ে লগতে কয় যে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে মাইক্ৰ'ফাইনেন্সৰ ঋণমুক্ত নকৰি, অমৃত বৃক্ষ ৰোপণৰ ধন মহিলাসকলক আদায় নিদি আৰু লাখপতি বাইদেউ আঁচনিৰ ধন প্ৰদানৰ নামত কৰা হোঁহকা-পিচলা নীতি হৈছে গ্ৰামীণ দুখীয়া তথা শ্ৰমজীৱী কৃষিজীৱী নাৰী সমাজৰ বাবে প্ৰতাৰণা আৰু প্ৰবঞ্চনা। তেওঁ লগতে এই প্ৰতাৰণা আৰু প্ৰবঞ্চনাৰ বিৰুদ্ধে নাৰী সমাজে স্বাধীন আৰু ঐক্যবদ্ধ সংগ্ৰাম কৰিব লাগিব বুলি কয়। সভাত শ্ৰমিক নেতা সোণমণি বৰা আৰু জয়নাল আবেদিনেও বক্তব্য প্ৰদান কৰে।

# থাইলেণ্ডত জাহ্নৱীৰ স্বৰ্ণ




**ই-সংবাদ, মৰিগাঁও, ২৫ অক্টোবৰঃ** থাইলেণ্ডত ২৩-২৫ অক্টোবৰলৈ অনুষ্ঠিত এছিয়ান যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত চমকপ্ৰদ যোগ ক্ৰীড়া প্ৰদৰ্শন কৰি দেশৰ লগতে অসম আৰু মৰিগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিলে মৰিগাঁৱৰ কনমানি জাহ্নৱী গোস্বামীয়ে। ৮ বছৰীয়া জাহ্নৱীয়ে প্ৰতিযোগিতাখনত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছিল। এই প্ৰতিযোগিতাত পৰম্পৰাগত আৰু কলাত্মক দুয়োটা শাখাতে সোণৰ পদক অৰ্জন কৰে জাহ্নৱীয়ে। মৰিগাঁও চহৰৰ পশ্চিম লঠাবড়িৰ বাসিন্দা পিতৃ বসন্তৰাজ কুমাৰ গোস্বামী অৰু মাতৃ জাহ্নু গোস্বামীৰ একমাত্ৰ কন্যা জাহ্নৱী মৰিগাঁও চহৰৰ সন্ত থেৰেছা ইংৰাজী বিদ্যালয়ৰ চতুৰ্থমান শ্ৰেণীৰ ছাত্ৰী। জাহ্নৱীৰ থাইলেণ্ডত সফলতাৰ বাৰ্তাই মৰিগাঁৱত উল্লাসময় পৰিৱেশৰ সৃষ্টি কৰিছে।

# ১ নৱেম্বৰৰ পৰা সিন্ধুৰা হাজৰিকা সোঁৱৰণী ফুটবল

**ই-সংবাদ, পুৰণিগুদাম, ২৫ অক্টোবৰঃ** নগাঁও জিলাৰ উৰিয়াগাঁও আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত ইতিহাস প্ৰসিদ্ধ সিন্ধুৰা হাজৰিকা সোঁৱৰণী কাপ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখন অহা ১ নৱেম্বৰৰ পৰা উৰিয়াগাঁও খেলপথাৰত আয়োজন কৰা হৈছে বুলি সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বনিয়া আৰু সাধাৰণ সম্পাদক জনাৰ্দন গোস্বামী আৰু ক্ৰীড়া সম্পাদক জিতুমণি বৰাই এক বিবৃতিযোগে জনাইছে। মধ্য অসমৰ ১৬ টা দলে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিযোগিতাখনৰ বিজয়ী দলে ৩১,১১১ টকা আৰু বিজিত দলে ২১,১১১ টকাৰ লগতে ট্ৰফী আৰু মানপত্ৰ লাভ কৰিব। তাৰোপৰি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, সৰ্বাধিক গ'ল দাতা, শ্ৰেষ্ঠ গ'ল ৰক্ষক, চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ উদীয়মান খেলুৱৈক নগদ ধনৰ টোপোলাৰ লগতে ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। উদ্বোধনী অনুষ্ঠানত জিলাখনৰ বহু খ্যাতনামা খেলুৱৈ তথা বিশিষ্ট লোকৰ উপস্থিতত দুটা মহিলা ফুটবল দল ক্ৰমে নগাঁও জে.বি ক্লাৱ বনাম মৰিগাঁও কুশতলি এফ চিৰ মাজত এখন আকৰ্ষণীয় প্ৰীতিখেল উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

## দ্বিতীয় দিনা ৩০১ ৰানত পিছপৰি ৰৈছে ৰোহিত বাহিনী

# পুণে টেষ্টটো ভাৰতৰ বেটিং ব্যৰ্থতা, কিৱিয়ে পাইছে জয়ৰ গোন্ধ

**পুণে, ২৫ অক্টোবৰঃ** ঘৰুৱা মাটি সত্বেও নিউজিলেণ্ডক বান্ধি ৰখাত ব্যৰ্থ হৈছে ৰোহিত বাহিনী। চেন্নাইত অনুষ্ঠিত প্ৰথম টেষ্টত জয়ৰ সোৱাদ পোৱাৰ পিছত পুণেত অনুষ্ঠিত দ্বিতীয় টেষ্টতো জয়ৰ গোন্ধ পাইছে নিউজিলেণ্ডে। আজি মেচখনৰ দ্বিতীয় দিনা নিউজিলেণ্ডে বেটে-বলে সংযমী প্ৰদৰ্শন দাঙি ধৰি দ্বিতীয় ইনিংছত ৩০১ ৰানৰ অগ্ৰগতি লাভ কৰিছে। প্ৰথম দিনা ১ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৬ ৰানৰ পৰা খেল আৰম্ভ কৰি ভাৰতে ৪৫.৩ অভাৰতে নিজৰ প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হৈ পৰে। কিৱি বলাৰৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ভাৰতীয় দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই মাথো ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰবীন্দ্ৰ জাডেজাই সৰ্বাধিক ৩৮ ৰান কৰাৰ বাদে প্ৰায়কেইজনে বেটাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। নিউজিলেণ্ডৰ হৈ স্পিনাৰ মিশ্বেল ছাণ্টনাৰে ৭টা উইকেট হস্তগত কৰে। গ্লেন ফিলিপছে ২টা আৰু টীম ছাউথিয়ে লাভ কৰে ১টা উইকেট। ইয়াৰ পিছতে দলটোৱে নিজৰ দ্বিতীয় ইনিংছ মুকলি কৰি অধিনায়ক টম লাথামৰ দৰ্শনীয় ৮৭ ৰানৰ সহায়ত সুন্দৰ আৰম্ভণি কৰে। দিনান্তত দলটোৱে ৫ উইকেট হেৰুৱাই ১৯৮ ৰান সংগ্ৰহ কৰে। হাতত এতিয়াও ৫টা উইকেট থকা অৱস্থাত ক্ৰিজত অপৰাজিত হৈ আছে টম ব্লাণ্ডেল (৩০) আৰু গ্লেন ফিলিপছ (৯)। ভাৰতৰ হৈ প্ৰথম ইনিংছৰ দৰে দ্বিতীয় ইনিংছতো ৱাশ্বিংটন সুন্দৰ বলিঙেৰে ৪টা উইকেট হস্তগত কৰে। আনটো উইকেট লাভ কৰে আৰ অশ্বিনে। এতিয়া কাইলৈ দ্বিতীয় ইনিংছত নিউজিলেণ্ডক যিমানেই কম ৰানত বান্ধি ৰাখিব পাৰিব সিমানেই বৃদ্ধি পাব ভাৰতৰ জয়ৰ সম্ভাৱনা। বিপৰীতে স্পিনাৰৰ বিৰুদ্ধে খেলিব পাৰিলেই কিৱিৰ জয় নিশ্চিত।

# উদ্বোধনী খেলত আইচিএফচিৰ জয়

**নেকিবুৰ ৰহমান ছিদ্দিকী, ২৫ অক্টোবৰঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া কপাহেৰা ষ্টেডিয়ামত আজিৰে পৰা কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ৰাজেন বৰগোহাঁই আৰু গোপাল বৰগোহাঁই সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনি আৰম্ভ হৈছে। এই প্ৰতিযোগিতাৰ আজিৰ উদ্বোধনী খেলত মণিপুৰৰ ইম্ফল চিটী (আইচি) এফ চিয়ে নগাঁৱৰ জে বি এফ চিক টাইব্ৰেকাৰত সামগ্ৰিকভাৱে ৫-৩ (১-১) গ'লত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ৰ ১৬ মিনিটতে জেবিএফচিৰহৈ বিকাশ ব্ৰহ্মাই গ'ল দি নিজ দলক প্ৰথমে আগবঢ়াই নিছিল যদিও ৩৩ মিনিটত আইচিএফচিৰহৈ কাউলীৰেলীয়ে গ'ল দি সমতা স্থাপিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ' হোৱাৰ পিছত টাইব্ৰেকাৰত আইচিএফচিৰ হৈ এ চেমচন, আডামা, আই সুৰজ আৰু ৰাই হৰিদাসে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে জেবিএফচিৰহৈ জিণ্টু বৰুৱা আৰু নিকচন ব্ৰহ্মাইহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী চাহেদুৰ ৰহমানক সহায় কৰে কৃষ্ণকান্ত ডেকা, দিগেন পাটৰ আৰু মোছাদিক আলি (চতুৰ্থ)য়ে। মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু কপাহেৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি তথা বিধায়ক ৰমাকান্ত দেউৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ সহযোগী উপ-সভাপতি তপন কুমাৰ দাস, বিশিষ্ট ক্ৰীড়া সংগঠক প্লাৱন বৰুৱা, নাচিৰউদ্দিন আহমেদ, হেৰম্ব প্ৰসাদ ডেকা (বাবা), কেশৱ ডেকা, আৰক্ষী বিষয়াদ্বয় ৰাজীৱ দাস আৰু বিকাশ দাসৰ লগতে সমাজকৰ্মী মহেন্দ্ৰ ডেকা, এএইছও আমান, দিবেন্দ্ৰ নাথ, সুৰেশ ডেকা, জীউমণি পাটৰ, নৱজ্যোতি শইকীয়া, মলয় গগৈ, শংকৰ ডেকা, প্ৰদীপ ডেকা, মুকুট শৰ্মা আদিৰ উপৰি আয়োজক সমিতিৰ বিষয়ববীয়া, সদস্য-সদস্যাসকল উপস্থিত থাকে। খেলৰ মাজতে অসম ফুটবল সন্থাৰ বিষয়ববীয়া, মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট ক্ৰীড়া সংগঠক জিতু বৰদলৈ, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা আৰু এন আৰ ছিদ্দিকিকো আদৰণি জনোৱা হয়। প্ৰতিযোগিতাখনৰ অহা ২৯ অক্টোবৰত হ'বলগীয়া পৰৱৰ্তী খেলত গোসাইগাঁৱৰ শালবাগান এফচিয়ে নগাঁৱৰ কটহগুৰি এফচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# ফাইনেলত অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাব

**ই-সংবাদ, যোৰহাট, ২৫ অক্টোবৰঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা হোৱা 'বি' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমি ফাইনেলত অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবে উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাক ৪-০ গ'লত পৰাভূত কৰি ফাইনেলত উপনীত হৈছে। প্ৰথম অৱস্থাৰ পৰাই অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবৰ খেলুৱৈসকলে উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাক চাপত ৰাখি ২৯ মিনিটত অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবৰ দিংকু দত্তৰ আকৰ্ষণীয় গ'লৰ দ্বাৰা ১-০ গ'লৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ পিছত পুনৰ ৩২ মিনিটত দিংকু দত্তই ৰাইট আউটৰ পৰা বল আগুৱাই নি উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাৰ তিনিজন ৰক্ষন বিভাগক পৰাভূত কৰি গ'ল দি অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবক প্ৰথমাৰ্ধত ২-০ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত নিষ্ক্ৰিয় হৈ পৰা উত্তৰ যোৰহাট উপ-ক্ৰীড়া সন্থাক অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবৰ পিংকু মোহনে ৪৬ মিনিটত গ'ল দি ৩-০ৰ অগ্ৰগতি দিয়ে। ইয়াৰ পিছত ৬৮ মিনিটত অংকুৰ দাসে দলটোৰ হৈ চতুৰ্থটো গ'ল স্ক'ৰ কৰে। ২৬ অক্টোবৰত দ্বিতীয়খন ছেমি ফাইনেলত অসম ৰেঞ্জাৰ এফ চিয়ে যোৰহাট ক্লাবৰ বিৰুদ্ধে খেলিব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)